
# মৰণ-ফান্দ

জয়শ্ৰী গোস্বামী মহন্ত



কেদাৰিয়া। বৰ ডাঙৰ নহয়, বৰ সৰুও নহয় ৰাজ্যখন। সা-সম্পত্তিৰ ফালৰ পৰাও তেনেই টোকোনা বুলিব নোৱাৰি। কেইবা লাখ ষ্টাৰ্লিং ৰাজহ আদায় হয় বছৰি। সেয়ে আয়তনত মজলীয়া বিধৰ হলেও আয়ত ৰাজ্যখন চহকীয়েই।

অষ্ট্ৰিয়াৰ পৰা কেদাৰিয়ালৈ বেছি দূৰ নহয়, সীমান্তৰ পৰা মাত্ৰ পঞ্চাছ মাইলহে।

কেদাৰিয়া ৰাজ্যৰ ৰজাৰ নাম দিমিত্ৰি, কৈশোৰ পাৰ হওঁ হওঁ বয়স। দুচকুত নতুন আশাৰে ভৰা অনেক ৰঙীন সপোন। নতুন ৰজা, নতুন ৰাজপাট, নতুন সন্মান, নতুন দায়িত্ব········ নতুনত্ব সকলোতে। সোতৰ বছৰ বয়সত সৌ সিদিনাহে ভৰি দিছে তেওঁ। ৰজাৰ অভিষেক হবৰ আজি তিনি বছৰেই হ'ল। দেউতাকৰ অকাল আৰু ৰহস্যজনক মৃত্যুত চৈধ্য বছৰীয়া ল'ৰাটিয়ে ব্যথিত হবৰ, শোক কৰিবৰ, নিজকে চম্ভালি লবৰ সুযোগ নৌপাওঁতেই এই ভীষণ দায়িত্ব আহি পৰিল মূৰৰ ওপৰত। পাত্ৰ-মিত্ৰ, মন্ত্ৰী, সভাসদ, প্ৰজা আটায়ে লগ লাগি এই বংশৰ শেষ শলিতা বুলি তেওঁৰ মূৰতেই পিন্ধাই দিলে ৰাজমুকুট। সেই ৰাজমুকুটৰ মৰ্য্যাদা আৰু গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ পদে পদে সাৱধান হবলগীয়া হৈছে চেমনীয়া ৰজা। উত্তৰাধিকাৰীক সুযোগ্য কৰি গঢ়ি তুলিব পৰাৰ আগতে ৰজাৰ মৃত্যু হ'লে সকলো ঠাইতে যি হয় সেয়া দিমিত্ৰিৰ ক্ষেত্ৰতো হৈছে। ৰজা অকণমানি ল'ৰা বুলি ৰক্ষা কৰিবলৈ যিমান মানুহ আছে কণমানি ৰজাৰ সৰলতা আৰু অপৈণত বুদ্ধিৰ সুযোগ লৈ অন্যায় কৰিবলৈ মানুহ আছে তাতোকৈ বেছি। প্ৰথমতে এইবোৰৰ একো আও ভাও পোৱা নাছিল ৰজাই। সকলোৰে মৰম চেনেহ পাই পাই অভ্যস্ত হোৱা কণমানি ল'ৰাটোৱে শত্ৰুতা কাক বোলে জানিবলৈ সুযোগেই পোৱা নাছিল। কিন্তু কিছুমান ঘটনা যিমানেই সহজভাবে স্বাভাৱিক ভাবে লবলৈ চেষ্টা নকৰক– মাজে সময়ে গভীৰ ৰেখাপাত কৰে তেওঁৰ মনৰ দাপোনত।

কাৰ্লৰ কথাকেই ধৰা যাওক। যুৱৰাজ কাৰ্ল। ৰজা দিমিত্ৰিৰ আত্মীয়

সকলৰে এজন। সম্পৰ্কীয় ককায়েকেই হয় আচলতে। সেই যুৱৰাজ কাৰ্ল জানো সুখী, ভায়েক দিমিত্ৰি ৰজা হোৱা বাবে ? দিমিত্ৰিৰ অভিষেকলৈ নহাকৈ কোনো থকা নাছিল, ওচৰ চুবুৰীয়া ৰাজ্যৰ ৰজা সকল, দূৰ দূৰণিৰ মিত্ৰ ৰজা সকল– ৰাজপৰিয়াল– ৰাজ্যখনৰ অমাত্য, পাত্ৰ-মিত্ৰ, প্ৰজা কোনো থকা নাছিল। কাৰ্লে হেনো সিদিনা ওৰে দিনটো নিজৰ প্ৰাসাদত বহি অকলে অকলে বটলৰ পিছত বটল ফটিকা খালে– মুখেৰে বিৰবিৰাই নানান ধৰণে তুচ্ছ-তাচ্ছিল্য কৰিলে নতুন ৰজা দিমিত্ৰিক– কেৱল সেয়ে নহয়, কাৰ্লে হেনো আৰ তাৰ আগত কৈও ফুৰিছে 'এঃ দিমিত্ৰি ! থোৱা দেওহে..... সিনো কিটো ৰাজ্য চলাব ? কি জানে সি ? কেচুৱা ল'ৰা হে ! মাত্ৰ চৈধ্য বছৰ হে বয়স তাৰ ! হুঃ .......... ।'

কেৱল সিমানতে ক্ষান্ত থকা নাই কাৰ্ল। তেওঁ হেনো ৰাজ্যৰ বিভিন্ন মানুহক উচটাবলৈও চেষ্টা কৰিছে– 'প্ৰথাগত নিয়ম সদায়েই যে মানি চলিব লাগিব তাৰ জানো কিবা যুক্তি আছে ? হেৰা, উপৰি পুৰুষে কিবা এটা কৰিছিল বুলিয়েই যে আমিও সেইটোকে কৰি যাব লাগিব ক'ত লিখা আছে সেই কথা ? ৰজাৰ ল'ৰায়েই যে ৰজা হব লাগিব– এনে নিয়ম থকা উচিতেই নহয়। অইন ৰাজবংশৰ ল'ৰা যদি ৰজাৰ ল'ৰাতকৈ বেছি যোগ্য হয় তেন্তে ? কেলেই ৰজা হব নোৱাৰিব তেওঁ ?'

এনেবোৰ যুক্তিৰে বহুবাৰ হেনো তেওঁ উচটাবলৈ চেষ্টা কৰিছে প্ৰজাসকলৰ বিভিন্ন মহলক। পিছে মৃত ৰজাক আটায়ে ভাল পাইছিল প্ৰাণ তৰি ....... দিমিত্ৰিকো পিতৃহীন অকণমান ল'ৰা বুলি, মৰমৰ ৰাজকোঁৱৰ বুলি মৰমৰ চকুৰে চায় আটায়ে– সেয়েহে যুৱৰাজ কাৰ্লৰ ফুচুলনিত ভোল যোৱা নাই প্ৰজাসকল।

সৰুৰে পৰাই যুৱৰাজ কাৰ্লে হিংসা কৰি আহিছে দিমিত্ৰিক। দুবছৰমানৰ আগতে অৰ্থাৎ দিমিত্ৰি ৰজা হোৱাৰ দুবছৰ মানৰ আগৰ কথা। ৰজা জেৰাল্ড অৰ্থাৎ দিমিত্ৰিৰ দেউতাক জীয়াই আছে তেতিয়া। ৰজাৰ অনুমতি লৈ চিকাৰলৈ ওলাল এদিন দুয়ো যুৱৰাজ– কাৰ্ল আৰু দিমিত্ৰি। যুৱৰাজ দিমিত্ৰিৰ বয়স তেতিয়া মাত্ৰ বাৰ বছৰ, কাৰ্লৰ বয়স উনৈছ। কাৰ্লে চৰাই এজনীলৈ কাঁড়



হাউলি ফুলপাহ ছিঙিবলৈ লওঁতেই কাণৰ তেনেই ওচৰেৰে পাৰ হৈ গ'ল কাঁড়পাত ......

মাৰিলে, ঠিক সেই মুহূৰ্ত্ততে বৰ ধুনীয়া বনৰীয়া ফুল এপাহত চকু পৰিল দিমিত্ৰিৰ। হাউলি ফুলপাহ ছিঙিবলৈ লওঁতেই কাণৰ তেনেই ওচৰেৰে পাৰ হৈ গ'ল কাঁড়পাত। সোঁ-সোঁৱাই নিচেই কাষেৰে কাঁড়পাত পাৰ হৈ যোৱা দেখি ভয়ত বহুসময়লৈ ধপ্ ধপাই আছিল কণমানি দিমিত্ৰিৰ বুকুখন। আৰু অকণমান হোৱা হ'লেই সেইপাতে শালি পেলালেহেঁতেন তেওঁৰ কলিজা। ইপাৰ সিপাৰ হৈ গ'লহেতেন সেই ভয়ঙ্কৰ মৃত্যুদূত।

যুৱৰাজ কাৰ্লে পিছে সেমেনা সেমেনিকৈ কৈছিল 'ভাইটি অ', মোৰ অকণো দোষ নাই, তুমি যে সেইখিনিতে আছিলা মই গমকে পোৱা নাছিলো। কেনেবাকৈ সেই কাঁড়পাতে তোমাক বিন্ধা হ'লে মই যে কিমান দুখ পালোহেঁতেন– তোমাক নো কেনেকৈ বুজাই কওঁ ভাইটিটো মোৰ ! মোৰ হাতৰ পৰা ওলোৱা কাঁড়েৰে তোমাৰ মৃত্যু হবলগীয়া হ'লে দুখ আৰু অনুশোচনাত ময়ো আত্মহত্যাই কৰিবলগীয়া হ'লহেঁতেন।'

অইন এদিনাখনৰ ঘটনা মনত পৰিছে ৰজা দিমিত্ৰিৰ। সিদিনা আছিল তেওঁৰ অভিষেক। অভিষেকৰ নিশা উলহ মালহেৰে সকলোৱে নতুন ৰজাক সজাইছে, পৰাইছে, ৰাজকাৰেং উখল মাখল, ৰাজ্যৰ সকলো প্ৰজাৰে মনত আনন্দ, বাটপথ বিজুলী চাকিৰ পোহৰেৰে দিন যেন হৈ আছে। ক'তো কেনিও দুখ-শোকৰ লেশমানো চিন নাই। কেউপিনে উৎসৱমুখৰ পৰিবেশ। কাৰ্লে যুৱৰাজ দিমিত্ৰিক এবটল বিদেশী দামী মদ উপহাৰ দিলে। বৰ সুন্দৰ সেই পানীয়, দেখিলেই এপিয়লা পিবৰ মন যায়। দিমিত্ৰিয়ে বটলটো বৰ যতনেৰে থলে, সকলো অনুষ্ঠান শেষ হোৱাৰ পিছত লাহে ধীৰে আয়াসেৰে উপভোগ কৰিব সেই সুন্দৰ পানীয়ৰ সোৱাদ। একেবাৰে পেৰিচৰ পৰা অনা হেনো সেই পানীয়, ইয়াত সহজে পোৱা নাযায়। গতিকে ব্যস্ততাৰ মাজত সেই সুন্দৰ পানীয় খাই তৃপ্তি নেপাব। তাৰ কাৰণে দৰকাৰ পৰিবেশ আৰু অৱসৰ সময়। পিছে সেই হেঁপাহ পুৰোৱা আৰু নহলগৈ দিমিত্ৰিৰ। হুলস্থূলৰ মাজত কাৰোবাৰ গাত খুন্দা লাগি এবাৰত সেই বটলটো ভাঙি টুকুৰা টুকুৰ হ'ল। মজিয়াৰে বাগৰি গ'ল সেই হেঁপাহৰ পানীয়।

যুৱৰাজ দিমিত্ৰিৰ প্ৰিয় কুকুৰ ভ্যালিয়ে আকৌ বৈ যোৱা মদবোৰ দেখা পালে কেনেবাকৈ। বিদেশী সুগন্ধি পানীয়ৰ লোভ সামৰিব নোৱাৰিলে বেচেৰাই। ওচৰলৈ আহি কিছুসময় তাতে থিয় দি ৰ'ল, তাৰ পিছত এসময়ত চেলেকিবলৈ আৰম্ভ কৰিলে। লাহে লাহে আটাইখিনিয়ে সি খাই পেলালে। খন্তেক পিছতে সি চুক এটাত বাগৰি পৰিল। আটায়ে ভাবিলে টোপনি আহিছে হবলা তাৰ ! কিন্তু অলপ পিছতে গম পোৱা গ'ল সেই টোপনি আৰু কেতিয়াও নেভাগে, চিৰ নিদ্ৰাত শুই পৰিল বেচেৰা।

কিন্তু····· এইটো ঘটনাতো নো কেনেকৈ কার্লক দূষিব পাৰি ? ঘটনাটো ঘটাৰ মাত্ৰ আধা ঘন্টাৰ পিছতে জানো তেওঁ ফোঁপাই জোপাই লৰি অহা নাছিল ?

'ভাইটি····· মোৰ মৰমৰ দিমিত্ৰি ভাইটি············· '

'কি হ'ল দাদা ?'

'মই দিয়া সেই সুৰা তুমি খালা নেকি বাৰু ?'

'নাই দাদা, এতিয়াও খোৱা নাই মই ।'

'তেন্তে········ তেন্তে নেখাবা ভাইটি ········ নেখাবা সেই সুৰা·········'

'কেলেই ? কেলেই মানা কৰিছা বাৰু দাদা ?'

'বিষ, ভাইটি বিষ । তীব্ৰ বিষ মিহলাই থোৱা আছে সেই বটলত ।'

'বিষ ?'

'এৰা, এৰা ভাইটি । শত্ৰুৱে মিহলাইছে সেই বিষ । তাঁহাতে জানিছিল তোমাৰ অভিষেকৰ আনন্দত আমি দুয়ো পান কৰিম সেই বিদেশী সুৰা । সেয়ে ········ এয়া এক ঘৃণনীয় ষড়যন্ত্ৰ ।'

'কোনে নো এনে ঘৃণনীয় ষড়যন্ত্ৰ কৰিলে দাদা ?'

'মোৰেই বন্ধু বেশী এক চয়তানে । মোৰ সেই বন্ধুজন– তোমাক যে কৈছিলো মদৰ বটলটো পেৰিচৰ পৰা মোক বন্ধু এজনে আনি দিয়া বুলি····· সেই বন্ধুজন········ এতিয়াহে গম পালো, সি আছিল আচলতে এজন গুপ্তচৰ ।'

'এৰা····· এৰা····· তুমি কৈছিলাতো মোক ! পিছে ক'ত এতিয়া সেই মানুহজন, সেই বন্ধু বেশী গুপ্তচৰ ?'

'পলাই যাবলৈ ধৰিছিল ভিয়েনা অভিমুখে– পিছে বেচেৰাৰ কপাল বেয়া, নোৱাৰিলে পলাব ।'

'কিয়, কি হ'ল ?

'মোৰ মানুহবিলাকে ধৰি পেলালে তাক । অকল ধৰাই নহয়, ধৰি মাৰি পেলালে, বুজিছা ? ভালেই হৈছে দিয়া, তাৰ কামৰ উপযুক্ত প্ৰতিফল পাইছে সি ।'

'দাদা, কথা এষাৰ কওঁ । তুমি আহিলাই যেতিয়া– আৰু অকণমান আগতে অহা হ'লে.........'

'অকণমান আগতে অহা হ'লে ...... কি ভাইটি ??'

'এৰা, আৰু অকণমান আগতে অহা হলে মোৰ অতি মৰমৰ কুকুৰ ভ্যালিক হেৰুৱাবলগীয়া নহ'লহেঁতেন ?'

'কি হ'ল ভ্যালিৰ ?'

'সেই সুৰা চেলেকিলতে সি মৰি গ'ল বেচেৰা ।'

'কিন্তু মদ সি কেনেকৈ খাবলৈ পালে ?'

'অকণমান আগতে সেই বটলটোৰ সুৰাপান কৰিবলৈ মন যোৱাত মই ভেলটাক সেইটো আনিবলৈ দিছিলো ।'



বিদেশী সুগন্ধি পানীয়ৰ লোভ সামৰিব নোৱাৰিলে বেচেৰাই ......

'তাৰ পিছত ?'

'পিছে কাউন্ট ভেবোস্কিয়ে ইমানকৈ সুৰা পান কৰিলে যে তেওঁ কোনোমতে নিজকে চম্ভালিব নোৱাৰিলে। ভেল্‌টাই বটলটো লৈ আহি থাকোতে ভ্যাবোস্কি পৰি গ'ল ভেল্‌টাৰ গাৰ ওপৰত, লগে লগে বটলটো মজিয়াত পৰি তেনেই ভাঙি গ'ল। মজিয়াৰ পৰা সেইবোৰ চেলেকি চেলেকি খালে ভেলিয়ে, তাৰ পিছতে সি মৰি থাকিল বেচেৰা !'

'মই,– মই সঁচাকৈয়ে বৰ দুঃখিত ভাইটি, তোমাৰ মৰমৰ কুকুৰ ভেলিৰ এই অকাল বিয়োগত। অৱশ্যে········ অৱশ্যে মই কাউন্ট ভেবোস্কিকো লগতে ধন্যবাদ জনাইছো, কাৰণ তেওঁৰ সৈতে খুন্দা নেলাগিলেতো বটলটো নেভাগিলেহেঁতেন ! আৰু········ আৰু সেইটো নোহোৱা হলে সেই সুৰা পি ইমানপৰে তুমিয়ে····· তুমিয়ে শুই থাকিবলগীয়া হ'লহেঁতেন চিৰনিদ্ৰাত········। যিহওক বাৰু, ভগবানৰ অজস্ৰ ধন্যবাদ।'

গতিকে যুৱৰাজ কাৰ্লে যে ৰজা দিমিত্ৰিক মাৰিবলৈ চেষ্টা কৰিছে– সেই কথা নো কেনেকৈ কোৱা যায় ? তাৰোপৰি, আইন মতেও তেওঁক দোষী সাব্যস্ত কৰাৰ কোনো উপায় নাই। ভায়েকক উপহাৰ স্বৰূপে সুৰা এবটল দিয়াটো কোনো গুৰুতৰ অপৰাধো নহয় আইনৰ চকুত। যুৱৰাজ কাৰ্ল আকৌ আচাৰ-ব্যৱহাৰতো বৰ অমায়িক। তেওঁৰ শিষ্টতা আৰু ভদ্ৰ আচৰণৰ বাবে এনে মানুহৰ অন্তৰত যে কিবা দুষ্ট বুদ্ধি থাকিব পাৰে– পতিয়ন যাবলৈকে মানুহে টান পায়। তেওঁৰ মধুৰ ব্যৱহাৰৰ বাবে দিমিত্ৰিৰ দেউতাক ৰজা জেৰাল্ডেও বৰ ভাল পাইছিল– বৰ মৰম কৰিছিল কাৰ্লক। ক'বলৈ গ'লে ৰজা জেৰাল্ডৰ অতি প্ৰিয় পাত্ৰই আছিল যুৱৰাজ কাৰ্ল। আনকি, গুৰুত্বপূৰ্ণ বহু কামতেই ৰজা জেৰাল্ডে মাহীয়েকৰ পুতেক ভায়েকৰ ল'ৰা এই কাৰ্লৰ ওপৰত নিৰ্ভৰ কৰে, কাৰণ, দিমিত্ৰি হ'ল তেনেই সৰু ল'ৰা, তেওঁৰ লগত পৰামৰ্শ কৰাৰ কোনো প্ৰশ্নই নুঠে। ইফালে আকৌ যদিও যুৱৰাজ কাৰ্লৰ বয়স বেছি নাছিল, বুদ্ধিত তেওঁ আছিল বৃহস্পতি। অতি তীক্ষ্ণ বুদ্ধিৰ ল'ৰা বুলি তেওঁৰ খ্যাতিও আছিল। সেই হিচাপে ৰজা জেৰাল্ডৰ নিজৰ পুতেক হ'লেও দিমিত্ৰি

আছিল তুলনামূলকভাবে তেনেই সৰল সহজ। সহজ ভাৱেই দিনবোৰ পাৰ কৰি দিয়াত অভ্যস্ত আছিল দিমিত্রি। ৰজা জেৰাল্ডৰ মৰম চেনেহৰ মাজত থাকি কেতিয়াও কোনো কঠিন পৰিস্থিতিৰ সন্মুখীন হবলগীয়াও নৈহেছিল। সুখতেই পাৰ হৈ গৈছিল দিনবোৰ।

তেওঁৰ খেলাৰ লগৰী আছিল এজনী মৰম লগা ধুনীয়া ছোৱালী– জেৰিনা। কাউণ্ট ৰডস্কিৰ জীয়েক। দুয়ো একেলগে ফুৰে, একেলগে খেলে, ধেমালিও কৰে।

যুৱৰাজ কাৰ্লেও জেৰিনাৰ সৈতে ঘনিষ্ঠতা কৰিবলৈ বৰ চেষ্টা কৰিছিল, কিন্তু জেৰিনাই তেওঁলৈ বিশেষ আগ্ৰহ দেখুওৱা নাছিল। ফলস্বৰূপে যুৱৰাজ কাৰ্ল নিজেই আঁতৰি গৈছিল। তাৰপিছত জেৰিনা এদিন ঢুকাই থাকিল।


বৰ ৰহস্যজনক, বৰ আকস্মিক আছিল সেই মৃত্যু।

জেৰিনা আৰু দিমিত্রি দুয়ো ঘোঁৰাত উঠি বৰ ভাল পাইছিল। ৰাজ প্ৰাসাদৰ কিছু দূৰৈত আছিল এখন নৈ। সেই নদীৰ পাৰলৈ মাজে মাজে দুয়ো ঘোঁৰা চেকুৰাই দিয়ে। নৈখনৰ পাৰতে বেচ ডাঙৰ এটা অঞ্চল জুৰি আছিল চোৰ বালি। মৰণ ফান্দ........ ওপৰে ওপৰে চালে বুজিবৰ কোনো উপায় নাই। দিমিত্রি আৰু জেৰিনাই ঘোঁৰা চেকুৰাই গ'লেও সেইফালে কেতিয়াও নৗগেছিল। চোৰ বালিৰ কথা শুনিছিল তেওঁলোকে, কিন্তু ঠিক কোনখিনিৰ পৰা কোনখিনিলৈ সেইটো এলাকা– সেই কথা নেজানিছিল ভালদৰে।

কাৰ্লৰ লগৰীয়া এজনৰ মুখতেই শুনিছিল দিমিত্রিয়ে, নৈখনৰ পাৰে পাৰে পশ্চিমলৈ সাতমাইল আগুৱাই গ'লে হে সেই এলাকা পোৱা যায়। যুৱৰাজ দিমিত্রি আৰু জেৰিণাই কেৱল পাঁচ মাইললৈকেহে গৈছিল– তাতকৈ বেছি কেতিয়াও যোৱা নাছিল।

সাধাৰণতে ঘোঁৰাত উঠি আগে আগে দিমিত্রি যায়, পিছে পিছে গৈ থাকে জেৰিনা। ৰাজপ্ৰাসাদৰ পৰা ৰাতিপুৱাই ওলাই যায় দিমিত্রি– তেওঁৰ প্ৰিয় ঘোঁৰাটোৰ পিঠিত উঠি, তাৰপিছত কাউণ্ট ৰডস্কিৰ দুৰ্গৰ ওচৰলৈ গৈ বিশেষ ধৰণেৰে তেওঁ সুহুৰি মাৰে। সেই সুহুৰিৰ শব্দ শুনিবলৈ কাণ পাতি ৰৈ থাকে

জেৰিনা। শব্দ শুনাৰ লগে লগে নিজৰ ঘোঁৰাত উঠি ওলাই আহে তেওঁ। জেৰিনাক ওলাই অহা দেখিলেই দিমিত্রিয়ে আগে আগে তেওঁৰ ঘোঁৰা চেকুৰাই দিয়ে, পিছে পিছে তেওঁক অনুসৰণ কৰি আগবাঢ়ি যায় জেৰিনা, নিজৰ ঘোঁৰাৰ পিঠিত। সেই জেৰিনা– যুৱৰাজ দিমিত্রিৰ কলিজাৰ এফাল, হিয়াৰ আমঠু



...... আগবাঢ়োতেই ঘোঁৰাৰে সৈতে তেওঁক গ্রাস কৰি পেলালে সেই চোৰ বালিয়ে ......

সেই জেৰিনা– হঠাতে হেৰাই গ'ল চিৰদিনৰ বাবে। আবেলি কাউন্ট ৰডস্কিয়ে আহি দেখা কৰিলেহি দিমিত্রিৰ সতে। জেৰিনা হেনো আনদিনাৰ দৰেই ৰাতিপুৱাই ওলাই গৈছিল ঘোঁৰা লৈ– কিন্তু তেতিয়ালৈকে উভতি অহা নাই।

শুনি হতভম্ব হৈ গ'ল দিমিত্রি। সদায় তেওঁ দিমিত্রিৰ পিছে পিছে হে যায়- কেতিয়াও কোনোদিনে তেওঁ অকলশৰে ঘোঁৰাত উঠি যোৱা নাই.........কিন্তু......... কিন্তু দিমিত্রি আজি দুদিনৰ পৰাচোন শয্যাশায়ীয়ে- অসুস্থ দিমিত্রি তো ওলাই যোৱা নাই ঘোঁৰা চেকুৰাই! তেন্তে ? তেন্তে ক'লৈ গ'ল, কাৰ লগত গ'ল জেৰিনা ?? ......... কিন্তু গাওঁৰ ৰাইজে কৈছে আনকালৰ দৰে ৰজা দিমিত্রিৰ পিছে পিছে সিদিনাও হেনো গৈছিল জেৰিনা। সেয়ে কাউন্ট আহিছে, দিমিত্রিয়ে কিবা জানে যদি এই বিষয়ে!

আকাশখন ভাগি মূৰত পৰা হ'লেও চাগে ইমান আচৰিত নহ'লহেঁতেন দিমিত্রি। কোনোমতে তেওঁ উচ্চাৰণ কৰিলে 'ক'তা ? আজি দুদিন ধৰি মই দেখোন শয্যা শায়ীয়েই। ওলাবই পৰা নাই ঘোঁৰাত উঠি! তেন্তে কোনে ? কোনে ফুচুলাই উলিয়াই আনিলে জেৰিনাক ?'

'ৰাজপ্রাসাদত কাম কৰা লগুৱা-লিগিৰি, প্রহৰী আনকি ডাক্তৰ ষ্ট্রোনেজেও ক'লে- 'ক'তা যোৱা দুদিন ধৰি চোন ওলোৱাই নাই ৰজা দিমিত্রি!'

তেন্তে ? তেন্তে কোনে ? কাৰ কাম এয়া ? ৰজা দিমিত্রিৰ পোছাক পিন্ধি কোনে দিমিত্রিৰ নিচিনাকৈ সুহুৰিয়াই মাতিছিল জেৰিনাক ? কাৰ পিছে পিছে সিদিনা ঘোঁৰা চেঁকুৰাই ওলাই গৈছিল জেৰিনা ? গৈ চোৰবালিৰ অতল গহ্বৰত সোমাই মৃত্যুক সাৱটি লৈছিল কাৰ বাবে ? বহু......... বহুদিন......... এই প্রশ্নৰ সমাধান বিচাৰি চটফটাই কটাইছি দিছে দিমিত্রিয়ে। ভাবি থাকোতে থাকোতে হেজাৰ নিশা পাৰ হৈ গৈছে, কোনো সমাধান- কোনো উত্তৰ বিচাৰি পোৱা নাই দিমিত্রিয়ে। তাৰ পিছত ? এৰা, তাৰ পিছত ৰজা জেৰাল্ডৰ মৃত্যু ? সেই মৃত্যুও বৰ আকস্মিক। বৰ বেদনাদায়ক সেই পৰিণতি!

মাত্র তিনিবছৰ আগৰ কথা। ভাবিলে সৌ সিদিনা যেন হে লাগে। চুবুৰীয়া ৰাজ্য জয় কৰি বিজয়ী বীৰৰ দৰে উভতি আহি আছিল ৰজা জেৰাল্ড। তেওঁৰ প্রিয় বগা ঘোঁৰাটোৱেও প্রভুৰ বিজয়ৰ আনন্দত গৌৰৱেৰে শিৰ ওখ কৰি আহি আছিল বিজয়ী ৰজাক পিঠিত লৈ। ৰজাৰ ঠিক পিছতেই ক্র্যান্টজিকি ৰেজিমেন্টৰ সৈন্য বাহিনী, তেওঁলোকৰ পিছতে আছিল অ্যাওৰিফ



হঠাতে জোপাহাৰ আঁৰৰ পৰা এপাত বিষাক্ত কাঁড় আহি লাগিল ৰজা জেৰাল্ডৰ বুকুত ......

ৰেজিমেন্টৰ সৈন্যবাহিনী, আৰু অ্যাওৰিফ ৰেজিমেন্টৰ পিছতে আছিল লয়াল্যাণ্ডি ৰেজিমেন্ট। আটাইৰে চকুত বিজয়ৰ আনন্দ, অস্ত্ৰৰ জনজননি আৰু গম্ভীৰ খোজৰ তালে তালে যেন ফুটি উঠিছে ৰজাৰ প্ৰতি আনুগত্য আৰু গৌৰৱ। হঠাতে জোপোহাৰ আঁৰৰ পৰা এপাত বিষাক্ত কাঁড় আহি লাগিল ৰজা জেৰান্ডৰ বুকুত। তীব্ৰ চিঞৰ এটা ওলাল বিজয়ী ৰজাৰ মুখৰ পৰা, যন্ত্ৰণাত ছটফটাই মুহূৰ্ত্ততে তেওঁ বাগৰি পৰিল, তেওঁৰ প্ৰিয় সেই শুকুলা ঘোঁৰাটোৰ পিঠিৰ পৰা। তাৰ পিছত চকুৰ পচাৰতে সকলো শেষ। উৎসৱৰ আনন্দৰ সামৰণি পৰিল সকলোৰে হিয়া ভগা কান্দোনেৰে। ৰজা জেৰান্ডক সকলো প্ৰজাই প্ৰাণভৰি ভাল পাইছিল– সেয়ে সকলোৰে মনলৈ প্ৰথম প্ৰশ্ন আহিল– কেনেকৈ হ'ল ? কি হ'ল ? ৰাজকীয় সৈন্যবাহিনী ৰজাৰ লগত থাকোতেও কেনেকৈ ঘটিবলৈ পালে ইমান শোকলগা ঘটনা........ ?

ক্ৰ্যান্টজিকি ৰেজিমেন্টৰ সেনা নায়ক সকলৰ বক্তব্য– বহু চেষ্টা কৰিও আমি সেই ঘৃণনীয় আততায়ীৰ কোনো সন্ধান উলিয়াব নোৱাৰিলো। তেওঁলোকে ক'বলৈ বিচাৰে শত্ৰুদেশৰ কোনোবা গুপ্তচৰৰ কাম এয়া। কোনোবা গুপ্তচৰে জোপোহাৰ আঁৰৰ পৰা এইদৰে কাঁড় মাৰিছিল ৰজালৈ। তেওঁলোকে নো কি কৰিব পাৰে ? চেষ্টাৰ ত্ৰুটী অকণো কৰা হোৱা নাই আততায়ীক ধৰিবলৈ, কিন্তু........ ।

সন্দেহৰ ক'লা ডাৱৰে তেতিয়াই বহুতৰে মনত........ আনকি যুৱৰাজ দিমিত্ৰিয়েও সহজভাবে লব পৰা নাছিল দেউতাকৰ এই পৰিণতি। কিন্তু বেচেৰাই শোক কৰিবলৈ, ঘটনাবোৰ শান্তভাৱে চিন্তা কৰি বিশ্লেষণ কৰিবলৈকো সময় নেপালে। প্ৰজাসকলৰ মৰমৰ দাবীত, পাত্ৰ-মিত্ৰ সকলৰ হেঁচাত মাত্ৰ চৈধ্য বছৰ বয়সতে ৰাজ্য শাসনৰ গুৰু দায়িত্ব শিৰ পাতি লবলগীয়া হ'ল তেওঁ। ৰজা হ'ল চেমনীয়া ৰাজকোঁৱৰ দিমিত্ৰি। আইনানুযায়ীও তেঁৱেই কেদাৰিয়া ৰাজ্যৰ অধীশ্বৰ। জেৰান্ড বংশৰ তেতিয়া তেঁৱেই একমাত্ৰ বংশধৰ যে !

কিন্তু অতীতৰ ৰহস্যজনক ঘটনাবিলাক বিশ্লেষণ কৰিবলৈ ললে মাজে মাজে কিবা এক শঙ্কা, কিবা এক সন্দেহে আৱৰি পেলায় ৰজা দিমিত্ৰিৰ মনটো। কিবা এক যোগসূত্ৰ থকা যেন লাগে এই আটাইবোৰ ঘটনাৰ মাজত।

কিন্তু……… বহুত……… বহুত পলম হৈ গ'ল। এতিয়া আৰু উপায় নাই! ষড়যন্ত্ৰৰ বলি হবলগীয়া হৈছে ৰজা দিমিত্ৰি নিজেই। সঁচাকৈয়ে বৰ পলম হৈ গৈছে। শত্ৰু যে ঘৰতে আছে সেই কথা বুজি পাবলৈ যিখিনি সময় লাগিল সেইখিনি সময়তে বহুত ক্ষতি হৈ গ'ল। পানীৰ তলৰ কাঁইট! গাখীৰ কল খুৱাই কালসাপ পোহা হৈছে ঘৰতে!

এৰা, কাৰ্লেই অতীতৰ এই আটাইবোৰ ৰহস্যজনক ঘটনাৰ নায়ক। এতিয়া আৰু এইবিষয়ে কোনো সন্দেহ নাই ৰজা দিমিত্ৰিৰ। জেৰিনাৰ মৃত্যুৰ বাবেও দায়ী কাৰ্ল। গোটেই ঘটনাটো কেনেকৈ ঘটিছিল তেওঁ যেন এতিয়া নিজ চকুৰে দেখি আছে………। কাৰ্লে নিজেই দিমিত্ৰিৰ পোছাক পিন্ধি সিদিনা কাউন্ট ৰডস্কিৰ দুৰ্গৰ ওচৰলৈ গৈ সুহুৰিয়াই মাতিছিল জেৰিনাক– ঠিক, ঠিক দিমিত্ৰিৰ দৰেই। নিৰীহ বেচেৰী জেৰিনা! আজলী ছোৱালীজনীয়ে তেওঁকেই দিমিত্ৰি বুলি ভাবি আনন্দিনাৰ দৰে তেওঁৰ পিছে পিছে চেঁকুৰাই দিছিল তেওঁৰ প্ৰিয় ঘোঁৰাটো আৰু সেই সোণালী সুযোগৰ সন্ধানতে ইমানদিনে ৰৈ আছিল সেই দুষ্ট নৰপিশাচ! সুহুৰিয়াই ঘোঁৰা চেকুৰাই আগবাঢ়ি গৈ আছে কাৰ্ল। পিছে পিছে গৈ আছে জেৰিনাও। নৈৰ পাৰে পাৰে তীব্ৰ বেগেৰে গৈ আছে কাৰ্লৰ ঘোঁৰা। ছমাইল পিছতে সেই চোৰবালিৰ এলাকা। দীঘে আধা মাইল, বহলে তাৰো আধা। কাৰ্লে, খুব ভালদৰে জানিছিল কেনি কোনফালে গ'লে সেই এলাকা পায়। কাষেৰে গৈ থাকিব পাৰি, কিন্তু মাজৰ ফালে গ'লেই……। কাষেৰে ঘোঁৰা চেঁকুৰাই সেই অঞ্চলটো পাৰ হৈ বৈ গ'ল তেওঁ। তাৰ পিছত সুহুৰিয়াই মাতিলে জেৰিনাক। বেচেৰীয়েতো নাজানে– আগবাঢ়োতেই ঘোঁৰাৰ সৈতে তেওঁক লাহে লাহে গ্ৰাস কৰি পেলালে সেই চোৰবালিয়ে। চকুৰ আগতে নিৰীহ নিৰপৰাধী ছোৱালীজনীৰ মৃত্যুৰ হ'ল। আনন্দত কিৰিলি পাৰি হাঁহিলে যুৱৰাজ কাৰ্লে। অথচ– অবিশ্বাস্য যেন লাগিলেও জেৰিনাৰ মৃত্যুত হোৱা শোক সভাত আটাইতকৈ বেচি দুখ প্ৰকাশ কৰিছিল তেঁৱেই। ভীষণ মৰ্মাহত হোৱা যেন দেখুৱাইছিল তেওঁক।

আজিও ভাবি উলিয়াব পৰা নাই ৰজা দিমিত্ৰিয়ে, কাৰ্লে বাৰু কি কাৰণত হত্যা কৰিলে জেৰিনাক? কি উদ্দেশ্য আছিল তেওঁৰ?

আচলতে কাৰ্লে ভাবিছিল- জেৰিনাৰ মৃত্যুত চেমনীয়া ৰজা দিমিত্ৰি তেনেই ভাগি পৰিব, হয়তো দুখে শোকে জৰ্জৰিত দিমিত্ৰিয়ে আত্মহত্যাই কৰি পেলাব- আৰু দিমিত্ৰিয়ে আত্মহত্যা কৰিলে তো সোণতে সুৱগা ! তেঁৱেই হব কেদাৰিয়া ৰাজ্যৰ অধীশ্বৰ, সমস্ত ক্ষমতা হব তেওঁৰ- তেওঁৰ কথাতে নিৰ্ণয় হব সকলোৰে ভবিষ্যত- সকলো হ'ব তেওঁৰ আজ্ঞাবহ- তেওঁৰ অধীন । সেয়ে তেওঁ হত্যা কৰিছিল ৰজা জেৰান্ডক- ঠিক হত্যা কৰিছিল নহয়- হত্যা কৰাইছিল। বিজয়ী ৰজাই যেতিয়া সৈন্য সামন্তেৰে সৈতে নিজৰ ৰাজ্যলৈ উভতি আহি আছিল তেতিয়া তেওঁৰ পৰামৰ্শমতেই ৰজাৰ ঠিক পিছতে সজোৱা হৈছিল তিন ভিন ৰেজিমেণ্টৰ সৈন্য বাহিনী। আৰু তাৰ মাজতে ষড়যন্ত্ৰ কৰা হৈছিল- ক্ৰ্যাণ্টজিকি ৰেজিমেণ্ট থাকিব ৰজাৰ ঠিক পিছতে। ক্ৰ্যাণ্টজিকি ৰেজিমেণ্ট- এৰা, সেইটো ৰেজিমেণ্টৰ আটায়ে কাৰ্লৰ অতি অনুগত, অতি বিশ্বস্ত। কাৰ্লৰ এষাৰ কথাত প্ৰাণ দিব পাৰে সেইটো ৰেজিমেণ্টৰ অফিচাৰ সকলে। কাৰ্লে বিভিন্ন প্ৰলোভনেৰে, নানান চাতুৰী আৰু কৌশলেৰে বশ কৰি থৈছে তেওঁলোকক।

সেয়ে চক্ৰান্ত অনুযায়ী সেই ৰেজিমেণ্টৰ এজন লোকে- জোপোহাৰ আঁৰৰ পৰা কাঁড় মাৰিছিল ৰজালৈ- তাৰ পিছত সেই মানুহজনে আটাইৰে চকুৰ আগেৰেই পুনৰ আহি মিলি গ'ল ৰেজিমেণ্টত, কোনেও গমকে নেপালে।

জেৰান্ডৰ মৃত্যুৰ পিছত কাৰ্লে ভাবিছিল দিমিত্ৰিতো তেনেই শিশু-তেওঁক মৰাটোনো কি এনে ডাঙৰ কাম ! কিন্তু দিমিত্ৰিক হত্যা কৰিবৰ বাবে যিমান বাৰেই চক্ৰান্ত কৰিছে, মগজ খটুৱাই খটুৱাই যিমান পৰিকল্পনা কৰিছে- আটাইবোৰেই কিবা নহয় কিবা কাৰণত ব্যৰ্থ হৈ গৈছে, যেন ভগবানেহে প্ৰতিবাৰে এই কণমানি ল'ৰাটোক ৰক্ষা কৰি আছে ! আচৰিত, অতি আচৰিত। পিছে আচৰিত ঘটনা বুলিয়েই তো হাত পখালি বহি থাকিব নোৱাৰি, চেষ্টা কৰি যাবই লাগিব, কথাতে কয় বোলে চেষ্টাৰ অসাধ্য একো নাই ! সেয়ে গুলী খোৱা বাঘৰ দৰে দিনে দিনে বেপেৰোৱা হৈ পৰিছে কাৰ্ল।

দিমিত্ৰিয়ে যেতিয়া এইবোৰ চক্ৰান্তৰ কথা গম পালে তেতিয়া বহুত পলম হৈ

গেছে। একো কৰাৰ আৰু উপায় নাই। নিশা তেতিয়া দহ বাজিছে। সোতৰ বছৰীয়া ৰজা দিমিত্ৰি তেতিয়া নিজৰ শোৱনি কোঠাত। অকলশৰে। একেবাৰে অকলশৰে। কোঠালীৰ বাহিৰত পহৰা দি আছে ক্ৰ্যাণ্টজিকি ৰেজিমেণ্টৰ তিনিজন অফিচাৰে, তেওঁলোক হ'ল কৰ্নেল গ্ৰিঙ্কা, মেজৰ ভণ্টিফ আৰু কেপ্তেইন ছুলেজ। তিনিওজনে ফুচফুচাই নিজৰ মাজত কিবাকিবি আলোচনা কৰি আছে। এওঁলোক হৈছে কাৰ্লৰ বৰ বিশ্বস্ত অফিচাৰ, কেৱল বিশ্বাসীয়ে নহয়- কাৰ্লৰ আদেশ পালে যি কোনো ভয়ঙ্কৰ কাম কৰিবলৈকো এওঁলোক সাজু।

এওঁলোকে ৰজা দিমিত্ৰিৰ হত্যাৰ ষড়যন্ত্ৰৰ বিষয়ে আলোচনা কৰি আছে। গ্ৰিঙ্কাই ক'লে- 'দিমিত্ৰিয়ে চাগে সন্দেহ কৰিছে, কেতিয়াবা তেওঁৰ আচাৰ-



তিনিওজনে ফুচফুচাই নিজৰ মাজত কিবা কিবি আলোচনা কৰি আছে।

ব্যৱহাৰত তেনে ভাৱ ফুটি ওলায়।

কেপ্টেইন ছুলেজে বেপেৰোৱা ভংগীৰে উত্তৰ দিলে 'কৰিবলৈ দিয়ক সন্দেহ। আধাঘণ্টা পিছতে সন্দেহৰ আৰু কোনো থল নেথাকিব। সকলো

নিজ চকুৰে দেখা পাব দিমিত্ৰিয়ে।'

এওৰিফ ৰেজিমেণ্টে তেওঁলোকৰ ডিউটি শেষ কৰি চহৰৰ বাহিৰলৈ গ'লেই আমাৰ কাম আৰম্ভ হ'ব। গহীনাই ক'লে, কৰ্ণেল গ্ৰিস্কাই। কেপ্টেইন ছুলেজে তেওঁৰ কঁকালত থকা চামৰাৰ খাপৰ পৰা ৰিভলভাৰটো উলিয়াই হিচ্‌হিচাই ক'লে, 'সামান্য সময়ৰ কাম। আশাকৰো মোৰ বুলেটবিলাক ব্যৰ্থ নহয়- ইহঁতে ঠিকমতেই লক্ষ্যস্থানত বিন্ধিবলৈ পাৰিব।'

গ্ৰিস্কাই তেওঁৰ কঁকালৰ খাপৰ পৰা তৰোৱালখন উলিয়াই ললে এক বিশেষ ভঙ্গীত। তাৰ পিছত প্ৰতিটো শব্দত বৰ গুৰুত্ব দিয়াৰ নিচিনাকৈ ক'লে- 'আচলতে কাকো গুলীয়াই হত্যা কৰাৰ পক্ষপাতী মই নহয়। তেনেকৈ হত্যা কৰাত কোনো বীৰত্ব নাই। এইবোৰ কামৰ বাবে মোৰ প্ৰিয় অস্ত্ৰ হৈছে তৰোৱাল। একো একোটা আঘাতত শত্ৰুৰ শৰীৰৰ পৰা ওলাই আহিব হোলোকা হোলোকে কেঁচা তেজ। এৰা, ওলাই আহিব হোলোকা হোলোকে কেঁচা তেজ- যাৰে তাৰে তেজ নহয়- ৰজাৰ তেজ- ৰজাৰ.........ৰাজৰক্ত.......... হাঃ..........হাঃ..........হাঃ.......... ।'

পৈশাচিক উল্লাসত যেন ফাটি পৰিব কৰ্ণেল গ্ৰিস্কা!

মেজৰ ভন্টিফ মানুহজন আকৌ অকণমান বেলেগ। এনেকৈ এজন সৰু ল'ৰাক নৃশংসভাবে নিৰস্ত্ৰ অৱস্থাত হত্যা কৰিবলৈ কোনোবা খিনিত যেন বিবেকৰ দংশন অনুভৱ কৰিছে তেওঁ। সকলোৰে আটাইবোৰ কথা সেয়ে তেওঁ সমৰ্থন কৰিব পৰা নাই। বেছিভাগ কথাত তেওঁ ভাগ লব পৰা নাই, বাহিৰত নিৰ্বিকাৰ ভাব দেখুৱাই মনে মনে থাকিলেও অন্তৰত অহৰহ অনুভৱ কৰি আছে দ্বিধা আৰু অস্থিৰতা।

সেয়ে বৰ লাহে লাহে, বৰ সংকোচেৰে তেওঁ ইমান পৰৰ মূৰত মাত লগালে- 'ৰজা দিমিত্ৰি তেনেই সৰু ল'ৰা। আৰু অকণমান ডাঙৰ হোৱা হ'লে অৰ্থাৎ মই ক'বলৈ বিচাৰিছো বয়সীয়াল কোনোবা ৰজা এজন হোৱা হ'লে, মানে...... সঁচা কথা ক'বলৈ গ'লে.......... ।'

'এঃ থওক হে আপোনাৰ সঙ্কোচ! বয়সীয়াল ৰজা হোৱা হ'লে আমাৰ নো

কিটো লাভ হ'লহেঁতেন ? বৰং অসুবিধাহে বেচি হ'লহেঁতেন। বুঢ়া হোৱা হ'লে সি আকৌ বিয়া বাৰু কৰালেহেঁতেন, ল'ৰাই-ছোৱালীয়ে সেই আটাইবোৰ মানুহকে তেতিয়া আমি হত্যা কৰিব লাগিলহেঁতেন। সেয়ে সেইফালৰ পৰা চাবলৈ গ'লে আমাৰ ভাগ্য ভাল বুলিহে ক'ব লাগিব। এতিয়া মাত্ৰ সেই ৰজাটোক হত্যা কৰিব পাৰিলেই লেঠা ছিঙিব। আপোনালোকেতো জানেই দিমিত্ৰিয়েই হ'ল জেৰান্ড বংশৰ শেষ বংশধৰ। গতিকে তেওঁক হত্যা কৰিলেই জেৰান্ড বংশ একেবাৰে শেষ হব। দৰৱত দিবলৈকে কোনো নেথাকিব এই বংশত...... আৰু ....... আৰু তেতিয়াই আমাৰ কপাল ফুলিব........ আমাৰ মৰমৰ যুৱৰাজ কাৰ্ল হব ৰজা .......। কিন্তু আমি যদি হে এই সুযোগৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰো ৰজা দিমিত্ৰিক যদি এনে হেন সোণালী সুযোগ পাইও বধ কৰিব নোৱাৰো তেন্তে কাৰ্ল কোনোদিনে ৰজা হ'ব নোৱাৰিব। দিমিত্ৰিৰ পিছত ৰজা হ'ব দিমিত্ৰিৰ ল'ৰা আৰু জেৰান্ড বংশৰ এজনো বংশধৰ জীয়াই থকালৈকে কাৰ্লৰ ৰজা হোৱা অসম্ভৱ। তাৰোপৰি আৰু এটা কথা– সৰু ল'ৰা, সৰু ল'ৰা বুলি অৱহেলা কৰোতে কৰোতে আমি গম নোপোৱাকৈ বৰ সিয়ান হৈ পৰিছে দিমিত্ৰি। আচলতে আজি-কালি দিমিত্ৰিয়ে সকলো কথা গম পায়, বুজি পায়। হয়তো আৰু কেইদিনমান পলম হ'লে আমি আটাইবোৰ জেলত পচিবগৈ লাগিব। সেয়ে মই কৈছো সময়ৰ শৰ মাৰিব নেজানিলে শৰ পহুৰ মঙহ খাবলৈ আশা কৰা মিছা।

তথাপিও মেজৰ ভন্টিফৰ মনৰ সংকোচ মাৰ যোৱা নাই। কাৰ্ল যে তেওঁলোকৰ প্ৰিয়পাত্ৰ তাত কোনো সন্দেহ নাই, কিন্তু ৰজা হিচাপে তেওঁ কিমানখিনি যোগ্য বা আগলৈ ক্ৰ্যান্টজিকি ৰেজিমেণ্টক বা তেওঁ আস্থাত লয় নে নলয়........ সেয়াও চিন্তা কৰি চাবলগীয়া বিষয়। ক্ৰ্যান্টজিকি ৰেজিমেণ্টৰ ভৱিষ্যত তেওঁৰ ওপৰতে নিৰ্ভৰ কৰিছে।

ভন্টিফে সেয়ে ক'লে, 'মই জানো, এনে সোণালী সুযোগ আকৌ হয়তো পোৱা নেযাব। তথাপিও মই ভাবো এই চেমনীয়া ৰজাজনক ভগবানে যদি নিজেই কিবা উপায়ে আঁতৰালেহেঁতেন– তেন্তে আমি আৰু তেজেৰে হাত

ৰাঙলী কৰিব নেলাগিলহেঁতেন........' পুনৰ কিবা ক'বলৈ মুখ মেলিছিল ভণ্টিফে, আদবাটতে ছুলেজে ইঙ্গিত দিলে– 'মনে মনে থাকক..... সাৱধান........ ৰজা এইফালেই আহিছে যেন পাইছো ।' সঁচাকৈয়ে ৰজা দিমিত্ৰি ঠিক সেই মুহূৰ্ত্তত সাধাৰণ পোছাকেৰে কোঠালীৰ দুৱাৰ মেলি বাহিৰলৈ ওলাই আহিল। বাৰান্দাত ৰৈ তেওঁ চিগাৰেট এটা জ্বলালে। মুখত ম্লান হাঁহি তেওঁৰ ।

এই অফিচাৰসকলক তেওঁ হাড়ে হিমজুৱে চিনি পায় । কাৰ্লৰ প্ৰতি আনুগত্য সীমাহীন এওঁলোকৰ। দিমিত্ৰিয়ে ভালদৰে জানে অফিচাৰ সকলৰ হাতত তেওঁৰ মৃত্যু হব। দেউতাকৰ নিচিনা তেওঁৰো মৃত্যু হব বিশ্বাসঘাতক নিৰাপত্তাৰক্ষীৰ হাতত ।

বৰ ম্লান হাঁহি এটা মাৰি তেওঁ এইবাৰ অফিচাৰ কেইজনলৈ চালে। 'মই সাজু আছো । আহক আপোনালোক । মিছাকৈনো ৰৈ আছে কেলেই ? আহক, মোৰ কোঠালীলৈ সোমাই আহক । আপোনালোকৰ কাম সমাধা কৰিব পাৰিব এতিয়াই ।'

দিমিত্ৰি নিজৰ শোৱনি কোঠাত সোমাল । তেওঁৰ পিছে পিছে সোমাবলৈ সাজু হ'ল অফিচাৰসকল । ঠিক সেই মুহূৰ্ত্তত আহি ওলাল ডাক্তৰ ষ্ট্ৰোনেজ । ডাঃ ষ্ট্ৰোনেজ ৰজা দিমিত্ৰিৰ চিকিৎসক । তেওঁ পোনে পোনে দিমিত্ৰিৰ শোৱনি কোঠলৈ সোমাই গ'ল । গতিকে ক্ৰ্যাণ্টজিকি ৰেজিমেণ্টৰ অফিচাৰ কেইজনৰ আৰু তাত সোমোৱা নহ'ল। ৰবলগীয়া হ'ল তেওঁলোক। শুভকাম সমাধা কৰিবলৈ ওলোৱাৰ মুহূৰ্তত এইদৰে বাধা পোৱাত আটাইকেইজন মনে মনে বিৰক্ত হ'ল । পিছে মুখেৰে একো নেমাতি তেওঁলোক মনে মনে থাকিল। তেওঁলোকৰ চকুৱে মুখে অসন্তুষ্টিৰ চিন ফুটি ওলাল । অৱশ্যে তেওঁলোকৰ হাতত এতিয়াও যথেষ্ট সময় আছে– ডাক্তৰ নো থাকিব কিমান সময় !

তেনেকুৱা বিশেষ প্ৰয়োজন হ'লে দুয়োজনকে হত্যা কৰিব লাগিব । কাৰ্লেও তেনে নিৰ্দেশকে দিছে । আৰু কাৰ্লৰ নিৰ্দেশ আখৰে আখৰে পালন কৰিবলৈ তেওঁলোক সাজু । ইফালে আকৌ অফিচাৰ তিনিজনৰ সলনি বগা পোছাকেৰে ডাঃ ষ্ট্ৰোনেজক দেখি দিমিত্ৰিয়ে আনন্দত চিঞৰি উঠিল– 'অ' ডাঃ

ষ্ট্ৰেনজচোন ! আহক, আহক–আপোনাক লগ পাই সঁচাকৈয়ে বৰ ভাল লাগিছে !'

'কিন্তু– আপোনাৰ কোঠালীত সোমাবলৈ আহোতে বাটত মই কেবা ঠাইতো বাধা পাবলগীয়া হৈছে । অৱশেষত আপোনাৰ শাৰীৰিক অসুস্থতাৰ বিষয়ে বুজাই কৈ সেনাধ্যক্ষৰ পৰা বিশেষ অনুমতি লবলগীয়া হ'ল । পিছে আচৰিত হলো– যেতিয়া তেওঁলোকে ব্যক্তিগত ৰিভলভাৰটোও মোৰ পৰা লৈ গ'ল । তেওঁলোকে ক'লে ৰজাৰ সৈতে দেখা কৰাৰ সময়ত হেনো কোনো ধৰণৰ অস্ত্ৰ লৈ যাব নোৱাৰি । আজি নিশাৰ পৰাই বোলে এই নতুন নিয়ম প্ৰবৰ্ত্তন কৰা হৈছে । দিমিত্ৰিয়ে মিচিকিয়াই হাঁহিলে– 'হৰা, তেওঁলোকে নানান ধৰণৰ চেলু উলিয়াই মোৰ ব্যক্তিগত অস্ত্ৰ-শস্ত্ৰবোৰো এপদ দুপদকৈ লৈ গৈছে । মোৰ তৰোৱালখন নিছে মোৰ বাবে ঠিকমতে চেট কৰি আনিবৰ বাবে, ৰিভলভাৰটো লৈ গৈছে চাফা কৰি আনিবলৈ বুলি, আনকি– কিনো ক'ম ডাক্তৰ ! মোৰ চোকা চুৰিখনো দুদিনমানৰ পৰা বিচাৰি পোৱা নাই । এতিয়া····· এতিয়া মই সম্পূৰ্ণ নিৰস্ত্ৰ ।'

দিমিত্ৰিৰ কথাত উচপ খাই উঠিল ডাঃ ষ্ট্ৰেনজ ।

'ৰজা দিমিত্ৰি, আপুনি কোৱা কথাবিলাক সঁচানে ?'

'এই বিষয়ে অকণমানো সন্দেহ নাই ডাক্তৰ । এই মুহূৰ্ত্তত মই তেওঁলোকৰ পিঞ্জৰাত বন্দী, ফান্দত পৰা জীৱৰ দৰে অৱস্থা হৈছে মোৰ ! আজিৰ পৰা তিনিবছৰ আগতে যেতিয়া মই প্ৰথম সিংহাসনত আৰোহন কৰো– মোৰ বয়স তেতিয়া মুঠেই চৈধ্য বছৰ– তেতিয়াৰ পৰাই এনে ধৰণৰ কিবা ঘটিব পাৰে বুলি মই বৰ সতৰ্ক হৈ আছিলো । কিন্তু মাত্ৰ কেইদিনমানৰ পৰাহে মই অকণমান অসতৰ্ক হৈছিলো আৰু ঠিক তেতিয়াই তেওঁলোকে সুযোগ গ্ৰহণ কৰিলে । আজি মোৰ আৰু কোনো উপায় নাই, সম্পূৰ্ণ নিৰুপায় মই ।'

'কিন্তু ৰজা দিমিত্ৰি, মই জনাত আপোনাৰ তো নিজা দেহৰক্ষী দলো আছে । তেওঁলোক ? কি হ'ল তেওঁলোকৰ ?'

'ডাঃ ষ্ট্ৰেনজ, আপুনি মোৰ কোঠালীলৈ সোমাওঁতে সেনাবাহিনীৰ লোক

সকলৌৰে মন কৰিছিলনে বাৰু ? মন কৰিলে দেখিলেহেঁতেন– মানে তেওঁলোকৰ পোছাকতে বুজিব পাৰিলেহেঁতেন তেওঁলোক হ'ল ক্র্যান্টজিকি ৰেজিমেণ্টৰ। আপুনিতো ভালদৰেই জানে ক্র্যান্টজিকি ৰেজিমেণ্টৰ ওপৰত কার্লৰ প্রভাৱ অসীম। এ্যাওৰিফ ৰেজিমেণ্টে অৱশ্যে তেওঁলোকৰ পৰিকল্পনাত বাধা দিব পাৰিলেহেঁতেন কিন্তু...... কিন্তু তেওঁলোকে এ্যাওৰিফ ৰেজিমেণ্টকো কিবা চেলু দেখুৱাই চহৰৰ বাহিৰত থকা তেওঁলোকৰ ছাউনীলৈ পঠিয়াই দিছে। ইফালে আকৌ নয়াল্যাণ্ডি ৰেজিমেণ্টো এতিয়া নাহে।'

'কʼলৈ গʼল সেইটো ৰেজিমেণ্ট ?'

'অ' সেইটো ৰেজিমেণ্টকো পঠিয়াই দিছে কʼৰবালৈ ?'

'কেতিয়ামানে উভতিব তেওঁলোক ?'

'দুঘণ্টামানৰ পিছতহে উভতিব।'

'এই নয়াল্যাণ্ডি ৰেজিমেণ্ট আপোনাৰ অনুগত নে ?'

'এৰা।'

'বিশ্বাসী নে ?'

'এৰা, তেওঁলোক বিশ্বাসী। কিন্তু বিশ্বাসী হʼলে কি হব ডাক্তৰ ! তেওঁলোক কমেও দুঘণ্টামানৰ পিছতহে পাবহি। গতিকে.........' বৰ বিমর্ষ আৰু হতাশভাৱে হাঁহিলে ৰজা দিমিত্রিয়ে।

ডাঃ ষ্ট্রোনেজ বৰ বিচলিত হৈ পৰিল। কণমানি ৰজা এইদৰে এই ভীষণ ষড়যন্ত্ৰৰ চিকাৰ হব ! নাই– নাই– ই অত্যন্ত অন্যায় ! অন্ততঃ ডাঃ ষ্ট্রোনেজৰ চকুৰ আগত তেনে কথা হব দিব নোৱাৰি– কোনোমতেই ! ৰজা জেৰাল্ডে বহুত উপকাৰ কৰি থৈ গৈছে তেওঁক– ৰজা জেৰাল্ডৰ আত্মাই অভিশাপ দিব ! কিমান ধৰণে, কিমান কথাৰ বাবে যে তেওঁ ঋণী মৃত ৰজাৰ ওচৰত ! এতিয়াৰ ৰজা দিমিত্রিকো তেওঁ নিজৰ লʼৰাৰ দৰে মৰম কৰে, আচলতে এই লʼৰা ৰজাজনক নিজৰ লʼৰা যেনেই লাগে তেওঁৰ। কিমান নো বয়স হৈছে আৰু ৰজাৰ !

এই চৰম মুহূৰ্ত্তত ডাঃ ষ্টোনেজে বাৰু কি কৰিব ? কি কৰিলে ৰজা দিমিত্ৰি এই মহাবিপদৰ পৰা হাত সাৰিব পাৰিব ? কিবা এটা উপায় বিচাৰি উলিয়াব পৰা হ'লেও...... । মনে মনে বৰ অস্থিৰ হৈ পৰিল তেওঁ, কিন্তু মুখত তেনে ভাব নেদেখুৱাই লাহে লাহে ক'লে, 'এইদৰে ইয়াত বহি থাকি মৃত্যুক আঁকোৱালি লোৱা জানো উচিত হব ? মই ক'বলৈ হ'লে আপুনি যিমান সোনকালে পাৰে এই প্ৰাসাদৰ পৰা ওলাই যোৱাই ভাল হব ।'

আকৌ হাঁহিলে দিমিত্ৰিয়ে । সেমেকা হাঁহি । আগতকৈও বিষণ্ণ সেই হাঁহি । প্ৰাসাদৰ বাহিৰলৈ যোৱা যে কোনোপধ্যে সম্ভৱ নহয় সেই কথা বৰ ভালদৰে জানে তেওঁ । ......... তাৰোপৰি ষড়যন্ত্ৰকাৰী সকলে নো তেওঁক প্ৰাসাদৰ বাহিৰলৈ কেলেই যাবলৈ দিব ? ইমান নো মূৰ্খামি কৰিবনে তেওঁলোকে ?

বাহিৰলৈ ওলাব পৰা হ'লেতো ইমান দুশ্চিন্তাৰ কাৰণেই নাছিল ! ইমানকৈ চিন্তা কৰিবলগীয়াও নহয় ওলাব পৰা হ'লে !

খুব লাহে লাহে মূৰ তুলি ষ্টোনেজলৈ চালে তেওঁ, 'কাৰ্লে বহুদিনৰ পৰা মোৰ পিছত লাগি আছে– গভীৰ ষড়যন্ত্ৰ কৰি আছে মোৰ বিৰুদ্ধে– এইবাৰ তেওঁ আগৰ কেইবাৰৰ দৰে বিফল নহয়– সেয়ে...... মোক– মোক তেওঁ কেতিয়াও প্ৰাসাদৰ বাহিৰলৈ যাবলৈ নিদিয়ে । তাৰ উপায় তেওঁ উলিয়ায়ে থৈছে । প্ৰাসাদৰ বাহিৰলৈ যোৱাটো এতিয়া আৰু সম্ভৱপৰ নহয় । ডাক্তৰ, সেইটো আশা কৰাই মিছা ।'

'কিন্তু – কিন্তু সেইবুলিয়ে আপুনি এইদৰে মৰণক আকোৱালি লবনে ? কিয় ইমান ভাবিছে ? আপোনাৰ কথা শুনিলে এনেকুৱা লাগে এতিয়া যেন সকলোফালে দুৱাৰ বন্ধ হৈ গৈছে– কেনিও কোনো উপায় নাই । আপোনাৰ জীয়াই থাকিবলৈ মন যোৱা নাইনে ?'

'তেন্তে শুনক ডাক্তৰ' –দীঘলকৈ হুমুনিয়াহ কাঢ়িলে ৰজা দিমিত্ৰিয়ে । 'মৃত্যুক বৰ ঘিণ কৰো মই, বৰ ভয়ো কৰো । সেইবুলি মই যে ভীৰু বা কাপুৰুষ সেয়া কিন্তু নহয় । ইমান ধুনীয়া পৃথিৱীখন......... ইমান সুন্দৰ......... এইবোৰ ইমান সোনকালে এৰি গুচি যাবলৈ মোৰ সত নেযায় । মোৰ নো বয়স হৈছে

কিমান ? ক'বলৈ গ'লে এতিয়াও মই কৈশোৰৰ ডেওনা পাৰ হোৱাই নাই। জীৱনটো নো কেনেকুৱা একো জনাই হোৱা নাই ! জীৱনৰ সোৱাদেই পোৱা নাই সঁচা কথা ক'বলৈ হ'লে। সেয়ে মৰিবলৈ মোৰ মুঠেও মন নাই ডাক্তৰ.........' কৈ কৈ ৰজা দিমিত্ৰি আগবাঢ়ি গ'ল খিৰীকিৰ ফালে। খুলি থোৱা আছে খিৰীকি কেইখন। আচৰিত হৈ বাহিৰৰ অপূৰ্ব সুন্দৰ দৃশ্যৰাশিলৈ চাই থাকিল তেওঁ, তাৰপিছত বৰ দুখেৰে খু-উ-ব লাহে লাহে কবলৈ ধৰিলে– 'চাওক, চাওকচোন ডাক্তৰ ষ্ট্ৰোনেজ, বাহিৰৰ জগতখনলৈ চাওকচোন– কি যে ধুনীয়া ! পৰীৰ দেশৰ দৰেই ধুনীয়া নহয়নে ? ৰূপোৱালী ৰং গাত সানি বৈ গৈছে নৈখনৰ নীলা পানীবোৰ, ওচৰতে নীলা পাহাৰখন ! অলপ দিনৰ আগতে মই সেইখন বনলৈ গৈছিলো চিকাৰ কৰিবলৈ। তেতিয়া মই সপোনতো ভবা নাছিলো মই নিজেই যে ইমান সোনকালে কাৰোবাৰ চিকাৰ হব লাগিব ! জীয়াই থাকিবলৈকে মই বিচাৰো– ডাঃ ষ্ট্ৰোনেজ ! মই যে জীয়াই থাকিবলৈ বিচাৰো– সেই কথা ভাবিবলৈকো মোৰ কেনেবা কেনেবা লাগিছে। চাওকচোন বাৰু, আজি মই এইদৰে আপোনাৰ সৈতে এইটো কোঠালীত বহি কথা পাতিছো কিন্তু...... কিন্তু কাইলৈ মোৰ শৰটো পৰি থাকিব সৌ চুকটোত...... আৰু...... এটা ক'লা কুন্ধচ বন কৰা মানুহে এইখন মজিয়া এইটো কোঠালী ধুই মেলি নিকা কৰি থাকিব। ভাবিবলৈকে মোৰ ভয় লাগিছে ডাক্তৰ, কিন্তু মোৰ কপালত তাকেই লিখা আছে ! এই ভীষণ মুহূৰ্ত্তত নিজক বচাবলৈ মই অপাৰগ। এই মুহূৰ্ত্ততে নিজক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ মই অক্ষম।'

'কিন্তু সেইবুলিয়ে এইদৰে আপুনি হাত সাৱটি বহি থাকিবনে ? সিহঁতে আহি কুকুৰ মেকুৰীক মৰা দি আমাৰ ৰজাকো এনেদৰে মাৰি পেলাব ? নাই, নাই, আপোনাক এইদৰে অন্ততঃ মোৰ চকুৰ আগত হত্যা কৰিবলৈ মই নিদিওঁ !'

'কিন্তু ডাক্তৰ, মই যাতে কোনোপধ্যেই তেওঁলোকৰ কামত বাধাৰ সৃষ্টি কৰিব নোৱাৰো তাৰ বাবে তেওঁলোকে মোক পৰিকল্পিতভাৱে নিৰস্ত্ৰ কৰিছে।' 'মোৰ ওচৰত এবটল বিহ আছে, বৰ মাৰাত্মক বিহ। সিহঁতে সেই নৰপশুহঁতে

আপোনাৰ দেহ স্পৰ্শ কৰাৰ আগতে আপুনি সেই বিহ খাই মৃত্যু বৰণ কৰিব পাৰে। অন্ততঃ আপোনাৰ অধীনস্থ কৰ্মচাৰী আৰু পৰিয়ালৰ লোকৰ হাতত এনেদৰে অসহায় অৱস্থাত মৃত্যুক আকোৱালি লোৱাতকৈ এই মৃত্যু হ'ব কিছু পৰিমাণে সন্মানজনক– ই অন্ততঃ.......'

'নাই, নাই.....। ধন্যবাদ ডাক্তৰ। বিহ খাই আত্মহত্যা কৰিবলৈ মোৰ সমূলি মন নাই। আজিলৈকে কাকো কেতিয়াও চকুৰ আগত মৰা দেখাই নাই, এইবাৰ সেয়ে সেইটো অভিজ্ঞতা আৰ্জিব বিচাৰিছো। এনে সুযোগ তো সততে পোৱা নেযায়!'

'কিন্তু এইদৰে আপোনাক অকলশৰে এৰি থৈ মই হ'লে কেতিয়াও গুচি নেযাওঁ। দুজনৰ মৰণ চকুৰ আগত দেখাৰ অভিজ্ঞতা আপুনি একেবাৰতে আৰ্জিব পাৰিব।'

কোঠালীটোৰ ভিতৰত যেতিয়া দিমিত্ৰি আৰু ডাঃ ষ্ট্ৰোনেজে কথা পাতি আছিল বাহিৰত তেতিয়া ষড়যন্ত্ৰকাৰীসকলে ৰজা দিমিত্ৰিক হত্যা কৰিবৰ বাবে বৈ আছিল। উগুল থুগুল মনেৰে কাৰ্লো আহি সেইখিনি পাইছিল। ভয়, শঙ্কা, আনন্দ, ভবিষ্যতৰ মধুৰ সপোন– আটাইবোৰে উন্মনা কৰি পেলাইছিল তেওঁৰ মনটো। ক্ৰ্যাণ্টজিকি ৰেজিমেণ্টৰ অফিচাৰ কেইজনে তেওঁক দেখি মূৰ দোঁৱাই অভিবাদন জনালে। আজিৰ এই অভিবাদন বৰ তাৎপৰ্য্যপূৰ্ণ– কৰ্ণেল গ্ৰিঙ্কাই ভাবিলে ৰজাৰ সম্পৰ্কীয় ককায়েক হিচাপে বা ৰাজপৰিয়ালৰ এজন বুলি ইমানদিনে জনোৱা অভিবাদন নহয় এয়া– এয়া হ'ল ভাবী ৰজাক– এৰা, আৰু অলপ সময়ৰ পিছত ৰজা দিমিত্ৰিৰ মৃত্যু হ'লে কাৰ্লেই তো ৰজা হ'ব– গতিকে এই অভিবাদন ভাবী ৰজালৈহে।

কৰ্ণেল গ্ৰিঙ্কাই ক'লে, 'আমাৰ হাতত এতিয়াও বহুত সময় আছে। ইফালে আকৌ ডাঃ ষ্ট্ৰোনেজ বিশেষ অনুমতি লৈ তেখেতৰ কোঠালীত সোমাইছে– গতিকে আমি ইয়াতে অলপ পৰ বৈছো।'

'কিন্তু ডাঃ ষ্ট্ৰোনেজ ওলাই আহিবলৈ এনেকৈ কিমান সময় বৈ থাকিব? আৰু পোন্ধৰ মিনিটমান সময় বাট চাওক বাৰু, যদিহে তেওঁ পোন্ধৰ মিনিটৰ

ভিৰতৰ ওলাই নাহে তেন্তে আপোনালোক সোমাই গৈ তেওঁক ওলাই আহিবলৈ ক'ব ।'

'হয়, আজি ৰাতিয়েই যেনে তেনে ৰজা দিমিত্ৰিক বধ কৰিব নোৱাৰিলে সতকাই আৰু এনে সুযোগ পোৱা নাযাব । গতিকে.........' কৰ্ণেল গ্ৰিঙ্কাই কথাষাৰ শেষ নকৰাকৈয়ে এৰিলে ।

'অ' আৰু এষাৰ কথা শুনক–' কাৰ্লে চাৰিওফালে এনেয়ে এবাৰ চকু ফুৰাই চাই প্ৰায় ফুচফুচাই কোৱাদি ক'লে, 'যদি ডাক্তৰে কিবা উপায়েৰে আপোনালোকৰ কামত বাধা দিবলৈ চেষ্টা কৰে, তেন্তে অনিচ্ছাসত্ত্বেও তেওঁকো এই পৃথিৱীৰ পৰা চিৰদিনলৈ বিদায় দিব লাগিব । তাৰ বাবেও সাজু থাকক আপোনালোক ।' বৰ নিষ্ঠুৰ হাঁহি এটা মাৰিলে যুৱৰাজ কাৰ্লে । অলপ ৰৈ পুনৰ আটাইৰে মুখলৈ চালে তেওঁ– 'শত্ৰু আৰু শত্ৰুক সহায় কৰা লোক একে পৰ্য্যায়তে পৰে– অৰ্থাৎ শত্ৰুৰ সহায়কাৰীজনো শত্ৰুয়েই ।'

দূৰৈৰ পৰা বাজনাৰ শব্দ ভাঁহি আহিল । ষড়যন্ত্ৰকাৰীসকলে আটায়ে ইজনে সিজনৰ মুখলৈ চোৱা চুই কৰিলে । কোনেও মুখেৰে একো নেমাতিলে । সকলোৱে বুজিলে শেষ বাধাও আঁতৰ হ'ল– এ্যাওৰিফ ৰেজিমেণ্ট চহৰৰ বাহিৰত থকা তেওঁলোকৰ শিবিৰলৈ উভতি গ'ল । অসহায় হ'ল ৰজা– নিষ্কণ্টক হ'ল কাৰ্ল– এতিয়া তেন্তে পৰিকল্পনা মতে ..... ।

লয়াল্যাণ্ডি ৰেজিমেণ্ট উভতি আহিবলৈ এতিয়াও দুঘণ্টা সময় আছে । এয়াই হ'ল সোণালী সুযোগ ! এনে সুযোগ দুনাই আৰু নাহে.......... । কাৰোপৰা তিলমানো বাধা নোপোৱাকৈ ৰজা দিমিত্ৰিক হত্যা কৰিব পৰা যাব ! অযথা কাকো মাৰিব নেলাগিব........বিনা বাধাৰে এইদৰে কাৰ্য্যসিদ্ধি কৰিবৰ সুযোগ বাৰু কেইজনে পায় !

কাইলৈৰ পৰা কেদাৰিয়া ৰাজ্যৰ নতুন ৰজা হ'ব কাৰ্ল । ৰজা জেৰাল্ডৰ বংশৰ শেষ দীপটি নুমাই যাব আৰু খন্তেক পিছতে । ক্ৰ্যাণ্টজিকি ৰেজিমেণ্টৰ অফিচাৰ সকললৈ এবাৰ চালে কাৰ্লে, 'আপোনালোকৰ মৰম-চেনেহ আৰু সহায়ৰ কথা মোৰ সদায়েই মনত ৰ'ব । আপোনালোকৰ আটাইৰে পদোন্নতি

হব– আজি এই গুৰুত্বপূর্ণ সময়ত মই আপোনালোকক ইমানকে ক'লো– মই কথা দিলো প্ৰত্যেকজনেই আগলৈ উপকৃত হব মোৰ পৰা– ৰজা কাৰ্লৰ পৰা...... ।

তিনিওজন অফিচাৰেই আনন্দেৰে ক'লে, 'মহামান্য যুৱৰাজ, আপোনাৰ প্ৰতি আমাৰ বিশ্বাস আৰু আস্থা সদায়ে অটুট আছে, থাকিবও । কাইলৈৰ পৰা ৰজা হিচাপে আপোনাক দেখা পালে আটাইতকৈ আমিয়ে আনন্দ পাম । ৰজা হিচাপে আপোনালৈ সেৱা আগবঢ়াব পাৰিলে আমি নিজকে সৌভাগ্যবান বুলি ভাবিম । আপোনাৰ জয় হওক ।'

'মই শুভ সংবাদ শুনিবলৈ ওচৰতে বৈ আছো বাৰু । আপোনালোকে নিজৰ কামত আগবাঢ়ক ।' কাৰ্লে বৰ গহীনাই ক'লে ।

'ভগৱানে আপোনাক দীৰ্ঘায়ু কৰক । আমি এতিয়াই আপোনাক শুভসংবাদ দিম ।

'যাওক, আগবাঢ়ক । আপেনালোকৰ মনৰ ইচ্ছা পূৰণ হোৱাত ঈশ্বৰে সহায় কৰক । ৰাজনীতিত ক্ষমতা লাভৰ বাবে কোনো পথেই অন্যায় নহয়– কোনো পথেই অবৈধ নহয় ! তাৰোপৰি আৰু এষাৰ কথা শুনক, ক্ষমতা এনেয়ে আকাশৰ পৰা সৰি পৰা বস্তু নহয়– আলাসতে ক্ষমতা লাভ কৰিব নোৱাৰি– ক্ষমতা লাভৰ বাবে কষ্ট কৰিব লাগে– আৰু ---- আৰু ক্ষমতা হ'ল কাঢ়ি অনা বস্তু– বল থাকিলেহে ক্ষমতা আহে–সেয়া লাগিলে যি ধৰণৰ বলেই নহওক– কেতিয়াবা ই বুদ্ধিৰ বলো হব পাৰে, শাৰীৰিক বলো হব পাৰে...... ধনৰ বলো হব পাৰে...... ।'

নিঃশব্দ অথচ দৃঢ় খোজেৰে যুৱৰাজ কাৰ্ল আঁতৰি গ'ল ।

বাহিৰত যেতিয়া তেওঁলোকে এইদৰে কথা-বতৰা পাতি আছিল, কোঠালীৰ ভিতৰত তেতিয়া ৰজা দিমিত্ৰি আৰু ডাক্তৰ ষ্টোনেজে কিবা অজান আশঙ্কাত বাৰে বাৰে শিয়ঁৰি উঠিছিল । খন্তেক আগতে তেওঁলোকেও শুনিছে বাজনাৰ শব্দ– অন্তৰেৰে অনুভৱ কৰিছে তেওঁলোকৈলে এই চৰম মুহূৰ্ত্তত সহায়ৰ হাত আগবঢ়াবলৈ আৰু কোনো নাইকিয়া হ'ল । এ্যাওৰিফ্ ৰেজিমেণ্ট উভতি গ'ল



ৰজা দিমিত্ৰি লগে লগে শুই পৰিল বিছনাত .....

তেওঁলোকৰ শিবিৰলৈ ।

ইমান দিনৰ পৰা বাট চাই থকা ষড়যন্ত্ৰকাৰী সকলে আৰু যে বেছিপৰ নৰয় সি খাটাং । বিজুলী বেগেৰে ডাঃ ষ্টোনেজৰ মগজুত এটা বুদ্ধি খেলাই গ'ল । লৰালৰিকৈ তেওঁ ৰজাৰ ওচৰলৈ আগবাঢ়ি গ'ল । 'আপুনি বিছনাখনতে শোৱক । চোলাৰ বুটামকেইটা খুলি দিয়ক । মই আপোনাৰ বুকু পৰীক্ষা কৰি আছো– তেওঁলোক আহি সেইদৰে দেখা পাওক আমাক দুয়োকে ।'

ৰজা দিমিত্ৰি লগে লগে শুই পৰিল বিছনাত, ঠিক সেই মুহূৰ্ত্তে দুৱাৰখন মেল খাই গ'ল । ভিতৰলৈ সোমাই আহিল ক্ৰ্যান্টজিকি ৰেজিমেন্টৰ সেই অফিচাৰ তিনিজন । তিনিও দেখা পালে বৰ মনোযোগেৰে ডাক্তৰ ষ্টোনেজে

ৰজা দিমিত্ৰিৰ বুকুখন পৰীক্ষা কৰি আছে। ডাক্তৰৰ মুখখন বৰ অস্বাভাৱিক, প্ৰচণ্ড উদ্বেগৰ ছাপ তেওঁৰ মুখত।

কিন্তু অফিচাৰ তিনিজনো ইতিমধ্যে অধৈৰ্য্য হৈ উঠিছে। বহুসময়ৰ পৰাই, বহুদিন, বহু বছৰৰ পৰা এইটো মুহূৰ্ত্তলৈকে বৈ আছে তেওঁলোক, বৈ আছিল সুযোগৰ সন্ধানত…… আৰু এতিয়া হাতৰ মুঠিত পায়ো এৰি দিবলগীয়া হৈছে। সোণালী সুযোগ। কেৱল এই কাণ্ড জ্ঞান নথকা ডাক্তৰটোৰ বাবেই। সেই কোন কাহানিতে মানুহজন ৰজাৰ কোঠালীত সোমাইছেহি— এতিয়ালৈকে ওলাই যাবলৈ কাণসাৰ নাই। মনে মনে ডাক্তৰৰ চৈধ্যপুৰুষ উঘালি গালি পাৰি কৰ্ণেল গ্ৰিঙ্কাই মাত লগালে, 'মহামান্য ৰজাৰ সৈতে আমাৰ অকণমান বিশেষ জৰুৰী কথা পাতিবলগীয়া আছিল, গতিকে মাননীয় ডাঃ ষ্ট্ৰোনেজে, যদি বেয়া নাপায় অকণমান কোঠালীৰ বাহিৰলৈ যোৱা হ'লে বাধিত হলোহেঁতেন।'

ডাঃ ষ্ট্ৰোনেজে উভতি চালে। স্থিৰ চাৱনিৰে তিনিওজনৰে মূৰৰ পৰা ভৰিলৈ চালে তেওঁ— ঠিক চালে বুলি ক'লে একোৱে কোৱা নহয়, আচলতে যেন অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলে তেওঁ তিনিওজন অফিচাৰকে। তাৰ পিছত খুব লাহে লাহে অথচ দৃঢ়তাৰে উত্তৰ দিলে— 'আপোনালোকৰ কামতকৈ মোৰ কাম বেছি জৰুৰী বুলি মই ভাবো। খুব ভালকৈয়ে জানো মই, আমাৰ সকলোৰে মৰমৰ ৰজাৰ বাবে আপোনালোকে আৰু আপোনালোকৰ বহুতেই আনকি প্ৰাণ দিবলৈকো সাজু আছে— কিন্তু অৱস্থা এতিয়া এনেকুৱা হৈছে যে জীৱন দিও আৰু এই মহামূল্যবান জীৱন ৰক্ষা কৰা সম্ভৱপৰ নহবগৈ। মোৰ কৰ্ত্তব্য সঁচাকৈয়ে বৰ দুখজনক, বৰ নিষ্ঠুৰ।'

কেউজন অফিচাৰে ভেবা লাগি ডাক্তৰৰ মুখলৈ চাই ৰ'ল। অলপ সময়লৈ কাৰো মুখেৰে কোনো শব্দ নোলাল। বিভিন্নভাৱে তেওঁলোকৰ মনবোৰত খুন্দিয়াবলৈ ধৰিলে। ডাক্তৰে কেনেবাকৈ কিবা গম পাই গ'ল নেকি ? কিন্তু…… আগতীয়াকৈ…… কেনেকৈ ই সম্ভৱ ??

অৱশেষত বৰ আচৰিত হোৱা যেন দেখুৱাই কৰ্ণেল গ্ৰিঙ্কাই মাত লগালে পুনৰ, 'ডাক্তৰ ষ্ট্ৰোনেজ, আপুনি ঠিক কি ক'বলৈ বিচাৰিছে আমি বুজা নাই।'

'ৰজা দিমিত্ৰিৰ শৰীৰ পৰীক্ষা কৰি এনে কিছুমান ভয়াবহ লক্ষণ দেখা পালো যে মই শঙ্কিত হৈ পৰিছো । আমাৰ অতি মৰমৰ ৰজাক চাগে মই আৰু..........'

'ভালকৈ বুজাই কওকচোন ডাক্তৰ ।'

'এৰা, এনেদৰে বিনামেঘে বজ্রপাত হব বুলি কোনেনো কেতিয়া ভাবিব পাৰিছিল ? ৰজা দিমিত্ৰিৰ আয়ুস মাত্ৰ আৰু ছদিন । মাত্ৰ আৰু ছটা দিনহে আমাৰ মৰমৰ ৰজাৰ্লৈ আমি সেৱা আগ বঢ়াব পাৰিম ।'

ৰজা দিমিত্ৰিয়েও ডাক্তৰৰ কথা সঁচা যেন দেখুৱাবলৈ লাহে লাহে কেঁকাবলৈ ধৰিলে । তেওঁৰ চকু মুখৰ ভাৱ দেখি এনে লাগিল যেন এইমাত্ৰ তেওঁ অচেতন হৈ পৰিব, যেন যি কোনো মুহূৰ্ত্ততে তেওঁ শেষ নিশ্বাস পেলাব পাৰে । সংশয় আৰু সন্দেহৰ দোমোজাত পৰি কৰ্ণেল গ্ৰিঙ্কাই ডাক্তৰ ষ্ট্ৰোনেজলৈ চালে, 'আপুনি বাৰু সঁচাকৈয়ে কৈছে নে ডাক্তৰ ষ্ট্ৰোনেজ ? এই বিষয়ত আপোনাৰ একো ভুল হোৱা নাই তো ?'

'নাই, মোৰ অকণো ভুল হোৱা নাই কৰ্ণেল । ভুল হোৱা হ'লে ময়েই আটাইতকৈ আনন্দিত হলোহেঁতেন । কিন্তু ভগৱান সঁচাকৈয়ে বৰ নিষ্ঠুৰ...... বৰ নিৰ্দয়......' দীঘলকৈ হুমুনিয়াহ কাঢ়িলে ডাক্তৰে ।

অফিচাৰসকলে আকৌ এবাৰ তাৎপৰ্যপূৰ্ণভাবে ইজনে সিজনলৈ চালে, তাৰপিছত ফুচফুচাই নিজৰ মাজতে কিবা কথা-বতৰা পাতিলে ।

'ঠিক আছে বাৰু ডাক্তৰ ষ্ট্ৰোনেজ,' দলপতি হিচাপে পুনৰ কৰ্ণেল গ্ৰিঙ্কায়েই আৰম্ভ কৰিলে । 'পৰিস্থিতিৰ গুৰুত্ব আৰু আমাৰ সম্ভাব্য দুৰ্ভাগ্যৰ কথা মই অন্তৰেৰে অনুভৱ কৰিছো । আমি আটায়ে বৰ বেজাৰ পালো ডাক্তৰ, এনে হৃদয় বিদাৰক বাতৰি শুনিবলৈ আমি কোনেও অকণো সাজু নাছিলো । যি হ'ল হ'ল বাৰু–আমিতো চেষ্টা কৰিবলৈ এৰিব নোৱাৰো । আমাৰ কাম পিছে পৰেও কৰিম, আপুনি আপোনাৰ কৰ্ত্তব্য কৰি যাওক ।'

মেজৰ ভণ্টিফেও বৰ বেজাৰ মনেৰে ক'লে, 'এৰা, মৃত্যুৰ বিষয়ে একো ক'ব নোৱাৰি । জন্ম আৰু মৃত্যুত কাৰো হাত নাই– ভগৱানৰ যি বিধান তাকে আটায়ে মানি লব লাগিব ।'

দিমিত্ৰিৰ শোকত ভাগি পৰা মাত শুনা গ'ল, 'অনুগ্ৰহ কৰি আপোনালোকে মোক অকণমান সময় অকলশৰে থাকিবলৈ দিয়ক ।' আটায়ে তেওঁক নমস্কাৰ জনাই বিষাদ মনেৰে কোঠালীটোৰ পৰা ওলাই গ'ল ।

তেওঁলোক ওলাই যোৱাৰ লগে লগে ৰজা দিমিত্ৰিয়ে দুৱাৰখন জপাই তেওঁলোকৰ কথা-বতৰা শুনিবলৈ চেষ্টা কৰিলে । মেজৰ ভণ্টিফে লগৰ কেইজনক ক'বলৈ ধৰিলে– 'যি হ'ল ভালে হ'ল দিয়ক । অন্ততঃ চেমনীয়া নিৰস্ত্ৰ ৰজা এজনক মাৰি আৰু বীৰত্ব দেখুৱাবলগীয়া নহ'ল ! ভালেই হ'ল– সকলো সমস্যাৰ নিজে নিজেই সমাধান হব এতিয়া । ছয়দিন একো বেছি সময় নহয় দিয়ক ।'

কৰ্ণেল গ্ৰিঙ্কাৰ মাতত চিন্তান্বিত ভাৱ– 'এৰা, সেইটো ঠিক । ছয়দিন বৰ বেছি সময় নহয় । ছটা দিন চাওঁতে চাওঁতে গুচি যাব । তথাপিও মই ভাবিছো আমি যুৱৰাজ কাৰ্লৰ সৈতে গোটেইখিনি কথাকে এবাৰ আলোচনা কৰি লোৱা ভাল হব । অৱশ্যে মোৰ বিশ্বাস– তেওঁ এতিয়া আৰু হলা গছত বাগী কুঠাৰ মৰাৰ নিচিনা কাম নকৰে । আমাৰ মতকেই সমৰ্থন কৰিব তেওঁ ।'

তেওঁলোকৰ কথা-বতৰা শুনি দিমিত্ৰিৰ মন আনন্দেৰে ভৰি পৰিল । 'ডাঃ ষ্ট্ৰোনেজ, আপুনি সঁচাই বৰ আচৰিত বুদ্ধি উলিয়ালে । শেষ মুহূৰ্ত্তত মই মৰণৰ দুৱাৰডলিৰ পৰা উভতি আহিছো ।'

'বুদ্ধি নহয়, এয়া অতি নিদাৰুণ সত্য কথা, মহাৰাজ ! আপুনি যে এক দুৰাৰোগ্য বেমাৰত ভুগি আছে আপোনাৰ চকুৰ দৃষ্টি চালেই সেই কথা বুজিব পাৰি । যি সকলে কিবা মাৰাত্মক বেমাৰত ভোগে কেৱল তেওঁলোকৰ চকুতহে এনেবোৰ লক্ষণ দেখা পোৱা যায় ।'

'বাৰু, সেইবোৰ যি হয় হৈ থাকক । এতিয়া যে মই সাৰি যাব পাৰিলো...... সেয়াই হ'ল ডাঙৰ কথা । আপুনিয়ে মোৰ প্ৰাণৰক্ষা কৰিলে ।'

'ৰক্ষা আৰু ক'ত কৰিব পাৰিলো ?' হতাশাত ভাগি পৰা মাতেৰে ডাক্তৰ ষ্ট্ৰোনেজে ক'লে ।

'অকণমান পিছতে লয়াল্যাণ্ডি ৰেজিমেণ্ট আহি পাবহি । গতিকে গ্ৰিঙ্কাৰ দলে

মোৰ আৰু কোনো অপকাৰ কৰিবলৈ সাহ কৰিব নোৱাৰে। সঁচাকৈয়ে আপোনাৰ বুদ্ধি অপৰিসীম ! আপোনাৰ ওচৰত মই যে কিমান ঋণী হৈ পৰিলো আজিৰ পৰা...... ।'

'আচলতে মই তেওঁলোকক তিলমানো মিছা কথা কোৱা নাই । তেওঁলোকক মই যিখিনি ক'লো সেইখিনি নিষ্ঠুৰ সত্য । আচলতে মই তেওঁলোকক ঠগিবলৈ বিচাৰিছিলো আৰু সেয়েহে আপোনাক পৰীক্ষা কৰা ভাও জুৰিছিলো । কিন্তু পৰীক্ষাৰ ভাও ধৰি থাকোতে মই পৰীক্ষাই কৰিছিলো, পিছলৈ। আৰু তেতিয়াই ধৰা পৰিল নিষ্ঠুৰ সত্য । সঁচাকৈয়ে আপোনাৰ আয়ুস আৰু মাত্ৰ ছটা দিনহে । স্বাভাৱিক মৃত্যুয়েই হাত বাউল দি মাতিছে আপোনাক ।'

ডাঃ ষ্ট্ৰোনেজৰ কথাত এইবাৰ দিমিত্ৰি বিচলিত হৈ পৰিল । তেওঁৰ চকুৰে মুখে এক আতঙ্ক আৰু শঙ্কাৰ ভাৱ ফুটি উঠিল ।

'আপুনি তেওঁলোকক যিখিনি ক'লে সকলোখিনি তেন্তে সঁচা কথা ?' দিমিত্ৰিৰ মাতটো কঁপি কঁপি ওলাল ।

'এৰা সঁচা । অতি নিষ্ঠুৰ সত্য । আপোনাৰ আয়ুস আৰু মাত্ৰ ছদিন ।'

দিমিত্ৰিৰ আনন্দেৰে ভৰা মুখখনত কোনোবাই যেন এবটল চিয়াঁহীহে ঢালি দিলে, ক'লা-ম'লা পৰি তললৈ মূৰ কৰি মানুহজন বহি থাকিল । ষড়যন্ত্ৰকাৰী অফিচাৰসকল উভতি যোৱাৰ পিছত এইবাৰলৈ অন্ততঃ সাৰি যোৱা যেন পাই মনটো আনন্দত উদ্বাউল হৈ পৰিছিল তেওঁৰ। আনকি মনে মনে তেওঁ ভৱিষ্যতৰ কিবা কিবি কামৰ পৰিকল্পনাও কৰি পেলাইছিল- নতুনকৈ শান্তিৰে জীয়াই থাকিবৰ উপায়ো ভাবি উলিয়াইছিল সাময়িকভাবে- কিন্তু সকলো আশাৰ মূৰত চেঁচা পানী ঢালিলে ডাঃ ষ্ট্ৰোনেজৰ কথাই । অমোঘ মৃত্যুৰ অশুভ বতৰাই এক ভীষণ আতঙ্ক আৰু নিস্তব্ধতা যেন কঢ়িয়াই আনিলে কোঠালীটোলৈ । এইটো পৰিস্থিতিত নতুনকৈ শান্তিৰে জীয়াই থকাৰ পৰিকল্পনা কৰা আৰু তাছপাতৰ ঘৰ সজা একেই ! সঁচাকৈয়ে নিয়তি বৰ নিষ্ঠুৰ- ভগৱানৰ বিধান অমোঘ । কাৰো একো কৰিবলৈ ক্ষমতা নাই !

বৰ দুখেৰে দিমিত্ৰিয়ে ডাক্তৰলৈ চালে । 'আজি নিশাটোৰ ভিতৰতে মৃত্যুৱে

দুবাৰকৈ দূত পঠিয়ালে মোৰ ওচৰলৈ। গতিকে যমৰাজৰ চকু যে মোৰ ওপৰত পৰিছে তাত তিলমানো সন্দেহ নাই। যদি এইটোৱেই সত্য তেন্তে নো আপুনি তেওঁলোকৰ হাতৰ পৰা মোক কেলেই সকৰালে ডাক্তৰ ? কেলেই জীৱন দান কৰিলে মোক ?' দিমিত্ৰিৰ মাত খোকাখুকি হ'ল, দুচকুৰে পানী বৈ আহিল। 'মৃত্যুৰ বাবে আৰু পাঁচ-ছটা দিন বৈ থাকি এই অসহনীয় মানসিক যন্ত্ৰণাত ভোগাতকৈ চোন তেওঁলোকৰ হাতত মৰা হ'লেই ভাল আছিল !'

বৰ অসহায়ভাৱে, বৰ দুখেৰে ডাঃ ষ্টোনেজে তেওঁৰ মুখলৈ চাই ৰ'ল। নিজৰ ল'ৰাৰ নিচিনাকৈ ইমান দিনে মৰম কৰি অহা এই কণমানি ৰজাক জীয়াই ৰাখিব পৰাকৈ আৰু কোনো উপায়েই নাই তেওঁৰ হাতত ! এনে কোনো দৰৱো নাই যিহৰ সহায়েৰে যাৰ প্ৰয়োগেৰে তেওঁ নিৰাময় কৰি তুলিব পাৰে মৰমৰ ৰজাক ! পানী চিকমিকাই উঠিল ডাক্তৰৰ দুচকুতো। নিজৰ হাত নিজেই কামুৰিবৰ মন যায় এনে অসহায় অৱস্থাত ! উস্ যদি তিলমানো চেষ্টা কৰিবৰ কিবা সুযোগ পালেহেঁতেন ! কিন্তু একো লাভ নাই ! এই চেষ্টা, এই প্ৰয়াস যে তেনেই নিষ্ফল সেই কথা ভালকৈয়ে বুজি পাইছে তেওঁ !

বৰ অস্থিৰ খোজেৰে কোঠালীটোৰ ইমূৰৰ পৰা সিমূৰলৈ অহা-যোৱা কৰিবলৈ ধৰিলে ডাক্তৰ ষ্টোনেজে। এবাৰ দিমিত্ৰিলৈ চালে, ৰজাৰ দুচকুত পৃথিবীখনৰ সমস্ত হতাশা যেন থুপ খাই আছে।

বৰ লাহে লাহে দিমিত্ৰিয়ে এইবাৰ আৰম্ভ কৰিলে, 'মই বুজি পাইছো, ডাঃ ষ্টোনেজ। এইবাৰ আৰু নিস্তাৰ নাই মোৰ ! এবাৰ নিশ্চিত মৃত্যুৰ কবলৰ পৰা আপুনি কাঢ়ি আনিলে মোৰ জীৱন, কিন্তু এইবাৰ আৰু নোৱাৰে। নিয়তিৰ ওচৰত আমি নতি স্বীকাৰ কৰিবই লাগিব।' অলপ ৰ'ল দিমিত্ৰি, তাৰ পিছত ডাক্তৰৰ মুখলৈ চাই এবাৰ হাঁহিলে। সেই হাঁহিত যেন থুপ খাই আছিল অজস্ৰ বেদনা, পৃথিৱীৰ সমস্ত হতাশা আৰু কান্দোন। হিয়াখন ফাটি যোৱা যেন লাগিল ডাক্তৰৰ।

'অলপ সময়ৰ আগতে মাথোন— আপুনি কৈছিল নিষ্ঠুৰতা, নৃশংসতাৰ বলি হৈ মৃত্যু বৰণ কৰাতকৈ বিহ খাই মৰাটোৱেই ভাল বুলি— তেন্তে ? এই মৃত্যু

আৰু বেছি নিষ্ঠুৰ নহয়নে ? অহা ছটা দিনৰ প্ৰতিটো দিন, ভয়াবহ ৰাতিবোৰ প্ৰতিটো ঘণ্টা মিনিট চেকেণ্ড এই অসহনীয় মানসিক কষ্টেৰে মই ৰৈ থাকিব লাগিব মৃত্যুৰ বাবে। বৰ অসহ্য সেই চিন্তা, বৰ অসহনীয় সেই কষ্ট ডাক্তৰ ! তাতকৈ ঘাতকসকলৰ দৰে মোক হত্যা কৰিবলৈ অহা সেই অফিচাৰ কেইজনৰ হাততে মৃত্যু বৰণ কৰা হ'লে বেছি ভাল আছিল ! এইদৰে তিলে তিলে মৃত্যুৰ বাবে ৰৈ জীৱন্মৃত হৈ থকাৰ পৰা আপুনিয়ে মোক ৰক্ষা কৰিব পাৰে ডাক্তৰ– এতিয়াও আপুনি মোক ৰক্ষা কৰিব পাৰে !'

প্ৰশ্নবোধক দৃষ্টিৰে ডাক্তৰ ষ্ট্ৰোনেজে ৰজালৈ চালে। তেওঁৰ দুচকুত এই চেমনীয়া ল'ৰাটিলৈ মমতা নিগৰি পৰিল। 'এৰা, মই ঠিকেই কৈছো। মোৰ মূৰৰ বিকৃতি বা চিন্তাৰ ভাৰসাম্য একোৱে নষ্ট হোৱা নাই।' অলপ প্ৰকৃতিস্থ হৈ পুনৰ ক'বলৈ ধৰিলে ৰজা দিমিত্ৰিয়ে– 'আপোনাৰ সেই বটলটো মোক দিয়ক ডাক্তৰ ষ্ট্ৰোনেজ। মই ৰজা। এইদৰে মৃত্যুৰ বাবে প্ৰতিটো মুহূৰ্ত ৰৈ থকাটো মোৰ বাবে অসহ্য।' ডাঃ ষ্ট্ৰোনেজ বিবুদ্ধিত পৰিল। ৰজাৰ আদেশ পালন কৰিবনে নাই এপলক ভাবি চালে। ইতিমধ্যে ৰজা দিমিত্ৰিয়ে বটলটো লবলৈ হাত মেলি আগুৱাই আহিছে।

'সংকোচ নকৰিব, ডাক্তৰ ষ্ট্ৰোনেজ ! মই ৰজা, মোৰ আদেশ বুলিয়ে কওক বা অনুৰোধ বুলিয়ে কওক– এইটো আপুনি ৰাখিব বুলি আশা কৰিছো।' ডাক্তৰ ষ্ট্ৰোনেজে বৰ সংকোচ আৰু দ্বিধাৰে তেওঁৰ ডাক্তৰী বেগৰ পৰা অকনমানি বটল এটা উলিয়ালে। ৰজা দিমিত্ৰিৰ মেলি থকা হাতখনলৈ চাই তেওঁৰ গোটেই শৰীৰটো কিবা এক অজান আশঙ্কাত কঁপি উঠিল। ৰজাই নিজে আগবাঢ়ি আহি তেওঁৰ হাতৰ পৰা বটলটো লৈ তীব্ৰ কৌতূহলেৰে সেইটোলৈ চাই ৰ'ল। সৰু যদিও একেবাৰে মুখলৈকে তীব্ৰ বিহেৰে ভৰি আছিল বটলটো।

'কিমান পৰিমাণৰ লব লাগে বাৰু ?'

'এজন লোকৰ মৃত্যুৰ বাবে ইয়াৰ দুটোপাল বা তিনিটোপালেই যথেষ্ট।'

'কেনেকৈ লব পাৰি ?'

'যিকোনো খোৱা বস্তুৰ লগত নাইবা মদৰ লগতো মিহলাব পাৰি ।' ডাঃ ষ্ট্ৰোনেজে কথাষাৰ কওঁতে ৰজা দিমিত্ৰিৰ মুখলৈ আনকি ভালদৰে চাবও পৰা নাছিল । গভীৰ বেদনাত তেওঁৰ বুকুখন ফাটি যোৱা যেন লাগিছিল ।

'বাৰু, কিমান সময়ৰ ভিতৰত বিষক্ৰিয়া আৰম্ভ হ'ব ?'

'প্ৰায় লগে লগে । এৰা, প্ৰায় লগে লগেই আৰম্ভ হ'ব ।' কথমপিহে ডাঃ ষ্ট্ৰোনেজে তেওঁৰ চকুপানী ৰোধ কৰিলে ।

'মানুহজনৰ জীৱন অৱসান হ'বলৈ কিমান সময় লাগিব ?'

'প্ৰায় লগে লগেই । বিষক্ৰিয়া আৰম্ভ হোৱাৰ কেইচেকেণ্ডমানৰ ভিতৰতে মৃত্যুৰ শীতলতাই গ্ৰাস কৰি পেলাব যি কোনো ব্যক্তিকে ।'

'তথাপিও, কিমান সময় লাগিব সঠিককৈ কওক ডাক্তৰ ।'

'পাঁচৰ পৰা দহ চেকেণ্ডৰ ভিতৰত । বিশেষ কোনো বিষ বেদনা বা যন্ত্ৰণা অনুভৱ কৰিবৰ সময়েই নেপাব মানুহজনে ।'

'এৰা, এৰা সেইটোকে বিচাৰিছিলো মই । হ'ব বাৰু, ধন্যবাদ ডাক্তৰ ষ্ট্ৰোনেজ ! আপোনাৰ নিচিনা উপকাৰী বন্ধুৰ কথা মই কাহানিও নাপাহৰো, মোৰ জীৱন থকালৈকে আপোনাৰ এই উপকাৰৰ কথা পাহৰিব নোৱাৰিম ।' অলপ ৰৈ দিমিত্ৰিয়ে কিবা ভাবিলে, তাৰপিছত ডাঃ ষ্ট্ৰোনেজলৈ চাই আকৌ ক'লে, 'এষাৰ কথা কওঁ আপোনাক, আপোনাৰ ভালৰ বাবেই, আপোনাৰ নিৰাপত্তাৰ বাবেই কৈছো ডাক্তৰ, যিমান সোনকালে পাৰে সিমান সোনকালে আপুনি এই ৰাজপ্ৰাসাদ এৰি গুচি যাওক । আপোনালৈ মোৰ শুভেচ্ছা জনাইছো আৰু... আৰু...... ডাক্তৰ ষ্ট্ৰোনেজ ! মই...... মই...... মই বিদায় লৈছো– বি... দা...য়... ব...ন্ধু ।'

দুহাতেৰে মুখখন ঢাকি ডাক্তৰ ষ্ট্ৰোনেজ ঢলং পলং কৈ ওলাই আহিল দিমিত্ৰিৰ কোঠালীৰ পৰা ।

তেওঁ খুব ভালদৰে বুজিলে হয়তো অলপ সময়ৰ পিছত নাইবা কাইলৈ ৰাতিপুৱা তেওঁ দিমিত্ৰিৰ মৃত্যু সংবাদ শুনিব লাগিব ।

প্ৰধান দুৱাৰৰ ওচৰ পাওঁতে কাৰ্লৰ সৈতে ভেটা ভেটি হ'ল ডাক্তৰৰ।

'কিবা বাতৰি আছে নেকি ডাক্তৰ ? কেনে দেখিলে ৰজা দিমিত্ৰিক ?'

'নাই, মোৰ সকলো চেষ্টা বিফল হ'ল। আজি ৰাতিয়েই হয়তো সকলো শেষ হৈ যাব, নিঠৰুৱা হব কেদাৰিয়া ৰাজ্য, নিঠৰুৱা হব এই ৰাজ্যৰ প্ৰজা–শূণ্য হৈ পৰিব ৰাজসিংহাসন–'

'অৰ্থাৎ ? আপুনি ক'বলৈ বিচাৰিছে ৰজাক আৰোগ্য কৰিব পৰা কোনো উপায়েই নাই ?'

'নাই, নাই যুৱৰাজ কাৰ্ল, আৰু কোনো উপায় নাই।'

'বৰ বেজাৰ পালো ডাক্তৰ। বৰ দুখৰ বাতৰি। যাওঁ, শেষবাৰৰ বাবে



'অৰ্থাৎ ? আপুনি ক'বলৈ বিচাৰিছে ৰজাক আৰোগ্য কৰিব পৰা কোনো উপায়েই নাই ?'

ৰজাক এবাৰ চাই আহোঁগৈ।'

ডাক্তৰ ষ্ট্ৰোনেজে আগবাঢ়ি গ'ল তেওঁৰ বাটেৰে। কাৰ্লে ইঙ্গিতপূৰ্ণ হাঁহি মাৰি ক্ৰ্যাণ্টজিকি ৰেজিমেণ্টৰ অফিচাৰ কেইজনলৈ চালে। মেজৰ ভণ্টিফৰ

মুখত হাঁহি বিৰিঙিল । হাঁহি বিৰিঙিল কৰ্ণেল গ্রিঙ্কাৰ মুখতো ।

'যিহওক, ঈশ্বৰে যি কৰে ভালেই কৰে । আমি আৰু জেৰাল্ডৰ শেষ বংশধৰক হত্যা কৰিবলগীয়া নহ'ল । ঈশ্বৰেই কৰিলে সকলো কাম ।'

'এৰা, এৰা । যি হ'ল ভালেই হ'ল । প্রজাসকলৰ মানত কেনেবাকৈ তিলমানো সন্দেহ উপজিলেই বিদ্রোহৰ সূচনা হ'লহেঁতেন...... ।'

'মই হ'লে প্রজাৰ বিদ্রোহলৈ অকণো কেৰেপ নকৰো ।' বৰ উদ্ধত ভঙ্গীৰে কৰ্ণেল গ্রিঙ্কাই মাত লগালে । কেৱল এ্যাওৰিফ আৰু লয়াল্যাণ্ডি ৰেজিমেণ্টৰ সৈতে আমাৰ ক্র্যাণ্টজিকি ৰেজিমেণ্টৰ সৈন্যই যুঁজ-বাগৰ কৰিবলগীয়া হলে কিছু মানুহ মৰিলেহেঁতেন– এতিয়া আৰু সেই সম্ভাৱনাও নাইকিয়া হ'ল– ভালেই হ'ল ।'

কথা পাতি পাতিয়েই তেওঁলোকে দিমিত্রিৰ শোৱনি কোঠা পালেগৈ । আটাইকেইজন কিছুসময় বন্ধ দুৱাৰখনৰ ফালে চাই ৰৈ থাকিল । কোঠালীৰ ভিতৰত তেতিয়া দিমিত্রিয়ে পাঁচটা সুৰাৰ পাত্র সজাই টেবুলৰ ওপৰত থৈছিল । তাৰ পিছত সেই অকণমানি বটলটোত থকা জুলীয়া পদাৰ্থখিনি সুৰাৰ বটলটোত ঢালি দিলে । হঠাতে কিবা মনত পৰাৰ দৰে কৰি তেওঁ অকণমানি বটলটো পেণ্টৰ জেপত ভৰাই থলে । তাৰ পিছত দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিল । বাহিৰলৈ আহিয়েই তেওঁ ক্র্যাণ্টজিকি সেনাবাহিনীৰ অফিচাৰ সকলৰ সৈতে যুৱৰাজ কাৰ্লক কথা পাতি থকা দেখিলে ।

বৰ উলাহেৰে দিমিত্রিয়ে মাত লগালে । 'কি আনন্দৰ কথা ! যুৱৰাজ কাৰ্ল যে ! আহা দাদা, আহা ।'

'এৰা, তোমাৰ সৈতে দেখা কৰিবলৈকে আহিছিলো । ডাক্তৰ ষ্ট্রোনেজে ক্ষন্তেক আগতে চৰম দুঃসংবাদ শুনালে আমাক । কোনোমতে ধৈৰ্য্য ধৰিব নোৱাৰি শোকত কাতৰ হৈ তোমাৰ মুখখন এবাৰ চাই যাওঁ বুলি গুৰি আহিছো ভাইটি ।'

'তুমি অন্তৰত ভীষণ আঘাত পোৱা বুলি মই অনুভৱ কৰিছো । কিন্তু কি কৰিবা দাদা, সকলো বিধিৰ বিধান ! নিয়তিক নো কোনে বাধা দিব পাৰে ?'

'মোৰ মূৰৰ ওপৰত সৰগখন ভাগি পৰা যেন লাগিছে। কি যে কৰো! আচম্বিতে যে এনেকুৱা ভয়ানক আৰু হিয়া ভগা বাতৰি শুনিব লাগিব সপোনতো ভবা নাছিলো, ভাইটি।' যুৱৰাজ কাৰ্লৰ দুচকু চলচলীয়া হ'ল। কিছুসময় তললৈ মূৰ কৰি তেওঁ বহি ৰ'ল, তাৰপিছত ৰজা দিমিত্ৰিলৈ চাই পুনৰ আৰম্ভ কৰিলে– 'এনে অৱস্থাত আমি নো ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰাৰ বাহিৰে আৰু কি কৰিব পাৰো কোৱা!'

বহুপৰ একেথৰে কাৰ্ললৈ চাই ৰ'ল দিমিত্ৰিয়ে সঁচাই, এৰা সঁচাকৈয়ে মানুহজন এজন সুপটু অভিনেতা! প্ৰতিভাবান মানুহ! সুযোগ পোৱা হ'লে...... ঠিক আছে...... দিমিত্ৰিও যে তোমাতকৈ কোনো গুণে কম নহয় অভিনয়ত...... চাই থাকা, হেৰা যুৱৰাজ!

'দাদা, মৃত্যু হ'ল নিয়তিৰ অমোঘ বিধান। তোমালোকে যে মোক কিমান ভালপোৱা আজি বিদায়ৰ পৰত মই বাৰে বাৰে সেই কথা অনুভৱ কৰিব পাৰিছো। কিন্তু কি কৰিবা দাদা! যাৰ আয়ুস যিমান দিনলৈ– তেওঁ সিমান দিনলৈহে পৃথিবীত থাকিব পাৰিব! সেয়ে, মই হলে দুখ কৰা নাই– দুখ কৰিতো একো লাভ নাই...... । আমি যিকণ সময় পাৰো পৃথিবীত আনন্দমনেৰে থাকিব লাগে। আনন্দ কৰিবলৈকে আমি আজি আটায়ে একেলগে এপিয়লাকৈ সুৰা পান কৰো আহা! আপোনালোকো আহক মেজৰ– সকলোকে আমন্ত্ৰণ জনাইছো মই!'

'এৰা বৰ সুন্দৰ প্ৰস্তাৱ ভাইটি। সঁচাকৈয়ে যি কেইটা দিন পাৰো আমি তোমাৰ সৈতে কটাবলৈ পালে বৰ আনন্দ পাম। আমি আজি নিশাটো তোমাৰ সৈতে একেলগে বহি সুৰাপান কৰিম দিয়া। বহুদিন একেলগে বহি আমি আনন্দ কৰিবলৈ সুযোগ সুবিধা পোৱাই নাই। নিয়তিৰ কি যে পৰিহাস! ইমান সোনকালে ডাঙৰ দুঃসংবাদেহে আমাক মিলিত কৰিলে..........।' পুনৰ চকুপানী মচিলে যুৱৰাজে।

ৰজাৰ পিছে পিছে আটায়ে কোঠালীৰ ভিতৰলৈ সোমাই আহিল। সকলোৱে চকীত বহাৰ পিছত ৰজাই বৰ গহীনমাতেৰে ক'লে, 'প্ৰথমতেই মই এখন দলিল লিখিবলৈ বিচাৰিছো।'

'ভাইটি, কি কৈছা তুমি ?'

'এৰা দাদা, প্ৰথমতেই এখন দলিল কৰি লওঁ দিয়া । মাননীয় মেজৰ, কৰ্ণেল সকলো আমাৰ লগতে আছে যেতিয়া দেশৰ এনে সংকটৰ মুহূৰ্ত্তত মই ভবিষ্যতৰ বাবে আমাৰ ৰাজসিংহাসনৰ উত্তৰাধিকাৰী ঠিক কৰি থৈ যাবলৈ বিচাৰিছো ।'

'ভ...বি...ষ্য...ত...ৰ বাবে উ...ত্তৰা...ধি...কা...ৰী ! মানে– মানে তুমি ক'ব বিচাৰিছা ভাইটি যে কেদাৰিয়া ৰাজ্যৰ ৰাজসিংহাসনৰ উত্তৰাধিকাৰী নিৰ্বাচিত কৰাৰ কথা ! মই ঠিকেই শুনিছো নে ?' বৰ বিচলিত হোৱা যেন লাগিল যুৱৰাজ কাৰ্লক ।



কেদাৰিয়া ৰাজ্যৰ সকলো ভাৰ তেওঁ যুৱৰাজ কাৰ্লৰ ওপৰতে অৰ্পন কৰিলে ।

'হয় দাদা, কাইভেলৰ পৰা এই ৰাজ্য পৰিচালনাৰ ভাৰ মই সজ্ঞানে সুস্থ শৰীৰে যুৱৰাজ কাৰ্লক অৰ্পন কৰিবলৈ বিচাৰিছো ।'

'অৰ্থাৎ ?' যুৱৰাজ কাৰ্লৰ হতভম্ব মুখখনত পোহৰৰ জিলমিলনি দেখা গ'ল, আনন্দত আত্মহাৰা হৈ ডাঙৰকৈ চিঞৰি দিলে তেওঁ ।

'অৰ্থাৎ– কাইলৈ ৰতিপুৱাৰে পৰা কেদাৰিয়া ৰাজ্যৰ ৰজা– কেদাৰিয়া ৰাজ্যৰ অধীশ্বৰ হব যুৱৰাজ কাৰ্ল । সেইটোকে ৰাজকীয় দলিলৰ জৰিয়তে সকলোকে জনাই যাবলৈ বিচাৰিছো মই । মোৰ শৰীৰৰ অৱস্থা আপোনালোকে দেখিছেই– যিকোনো মুহূৰ্ত্ততে এই সুন্দৰ পৃথিবীখনৰ পৰা মেলানি মাগিবলগীয়া হব পাৰে মই– সেয়ে দাদা, মোৰ মৃত্যুৰ পিছত যাতে সিংহাসন লৈ কোনো ধৰণৰ সংকটৰ সূচনা নহয়– তাৰ বাবেহে মই এনে কাম কৰিবলৈ থিৰ কৰিছো । তুমি এই বিষয়ত হকা-বধা নকৰিবা দাদা ।'

সৰগ পৰা মানুহৰ দৰে ভেবা লাগি চাই ৰ'ল আটায়ে– মেজৰ ভণ্টিফ, কৰ্ণেল গ্ৰিঙ্কা, কেপ্টেইন ছুলেজ আটায়ে । মুখেৰে এষাৰ শব্দ কৰিবলৈকো পাহৰি গ'ল যুৱৰাজে ।

বহুসময়ৰ নিস্তব্ধতাৰ পিছতহে প্ৰকৃতিস্থ হ'ল আটাইকেইজন । প্ৰথমতে যুৱৰাজ কাৰ্লেই মাত লগালে– 'হব দিয়া ভাইটি, তুমি যেতিয়া ইমানকৈ হেঁপাহ কৰিছা– মইনো আৰু কি ক'ম ! ডাঃ ষ্ট্ৰোনেজে আমাক কৈ গ'ল তোমাৰ আয়ুস হেনো আৰু মাত্ৰ ছটা দিন আছে– ডাঃ ষ্ট্ৰোনেজৰ দৰে অভিজ্ঞ ডাক্তৰে যিদৰে হে ক'লে তেওঁ এই বিষয়ত বেচ নিশ্চিত হৈ কোৱা যেন লাগিল । তথাপিও ভাইটি, যিমান দিনলৈ তুমি জীয়াই আছা– তুমিয়েই কেদাৰিয়া ৰাজ্যৰ অধীশ্বৰ ।'

'এৰা দাদা । মই এতিয়াও ৰজা । সেয়ে ৰজাৰ ক্ষমতাৰেই সুস্থ সবল হৈ থকা অৱস্থাত নিৰ্ণয় কৰি যাবলৈ বিচাৰিছো ভৱিষ্যতৰ উত্তৰাধিকাৰীক– যাতে আগলৈ মই নেথাকিলে কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নহয় । তাৰোপৰি দাদা এতিয়াও মই সজ্ঞানে সুস্থ শৰীৰেৰে আছো– কোনে জানে কোন মুহূৰ্ত্তত নিষ্ঠুৰ নিয়তিয়ে মোক........'

'উঃ নক'বা ! নক'বা আৰু ভাইটি ! মনত মই বৰ আঘাত পাওঁ । পিছে তোমাৰ যেতিয়া এইটোৱে শেষ ইচ্ছা মই বাৰু বাধা নিদিওঁ ।' আনন্দত

আকৌ দুচকু জিলমিলাই উঠিল কার্লৰ।

ৰজা দিমিত্রিয়ে ৰাজকীয় দলিল লিখা কাকত উলিয়ালে, লিখাৰ সকলো সা-সৰঞ্জাম ঠিক কৰি ললে। কেদাৰিয়া ৰাজ্যৰ সকলো ভাৰ তেওঁ যুৱৰাজ কার্লৰ ওপৰতে অর্পণ কৰিলে। ক্ষমতা হস্তান্তৰ কৰা দলিলখন গভীৰ মনোযোগেৰে লিখিলে তেওঁ। তাৰ পিছত সকলো নিয়ম-নীতি মানি তাত তেওঁ চহী কৰিলে। আনকি দেখা গ'ল ৰাজকীয় মোহৰটোও তেওঁ আনি থৈছিল। চহীৰ তলত মোহৰো মাৰি দিলে তেওঁ। গোটেইখিনি কামেই বৰ নিখুঁতভাবে, বৰ সুন্দৰকৈ শেষ কৰিলে তেওঁ। তাৰপিছত দলিলখন যুৱৰাজ কার্লৰ হাতত দিলে।

ইমানখিনি হ'ব বুলি আচলতে কার্লে সপোনতো ভবা নাছিল– এয়া যে সোণত সুৱগা! গভীৰ আনন্দত তেওঁৰ হিয়া থৌকি বাথৌ হ'ল। এটোপাল তেজ নষ্ট নকৰাকৈ বহু প্ৰত্যাশিত ৰাজ সিংহাসন! বহুদিনৰ গোপন বাসনা পূৰণ হ'ল তেওঁৰ। কাইলৈ ৰাতিপুৱাই নিজকে ৰজা বুলি ঘোষণা কৰিবই তেওঁ! কিহৰ চিন্তা নো আৰু? এই দলিলখনেৰে সকলো সমস্যা সকলো বাধা নেওচিব পৰা যাব! আচল বস্তুয়েই হাতত পাইছে তেওঁ! এ্যাওৰিফ নাইবা লয়াল্যাণ্ডি কোনো ৰেজিমেণ্টে আৰু কোনো ধৰণে বাধা দিব নোৱাৰে এইবাৰ। ৰজা দিমিত্রিয়ে নিজেই তেওঁক ৰাজসিংহাসনত অধিষ্ঠিত কৰিলে! আকৌ গোটেই দলিলখন লিখিলে ৰজা দিমিত্রিয়ে নিজে, তেওঁৰ হাতৰ আখৰ আটায়ে চিনি পায়। লিখি থাকোতে এবাৰলৈও তেওঁৰ হাত কঁপা নাই– আখৰবোৰো সম্পূর্ণ স্বাভাৱিক, গতিকে যুৱৰাজ কার্লে ভয় দেখুৱাই বা জোৰকৈ দলিলখন লিখাই লৈছে বুলিও কোনেও কব নোৱাৰিব।'

মহা আনন্দেৰে নিজৰ চকীৰ পৰা উঠি আহিল কার্ল। দিমিত্রিৰ ওচৰ চাপি তেওঁক সাঁকোৱালি লৈ উপর্য্যুপৰি চুমা খালে তেওঁ। আঃ! ইমান আনন্দ! ইমান সুখ!

অফিচাৰ সকলেও ইমানপৰে গোটেই ঘটনাটো দেখি বিস্ময়ত বিমূঢ় হৈ গৈছিল। তেওঁলোকে মনে মনে ভাবিলে– 'যি হ'ল ভালেই হ'ল। আমি এই



দিমিত্ৰিৰ ওচৰ চাপি তেওঁক আকোৱালি লৈ উপৰ্য্যুপৰি চুমা খালে তেওঁ।

সৰু ল'ৰাটোক মাৰি চিৰদিনৰ বাবে নিজৰ বিবেকৰ ওচৰত অপৰাধী হৈ থাকিব নেলাগিল ! মৃত্যু পথযাত্ৰীক হত্যা কৰাত নো কিহৰ গৌৰৱ ! তাৰোপৰি দিমিত্ৰিক হত্যা কৰাৰ লগে লগে ৰাজ্যত বিদ্ৰোহ হ'লহেঁতেন । তেনেকুৱা হ'লে আৰু বহুত মানুহ মৰিলহেঁতেন ! ভাগ্যে ডাক্তৰ ষ্ট্ৰোনেজে ৰজাৰ শৰীৰ পৰীক্ষা কৰিছিল– নহলে এই অকণমানি ৰজাজনক– ইমান বহল অন্তৰৰ ৰজাজনক হত্যা কৰা হ'লে সঁচাকৈয়ে পাপে চুলেহেঁতেন আটাইকে । ডাঃ ষ্ট্ৰোনেজে সঁচাকৈয়ে আটাইকে বচাই দিলে ইমান ডাঙৰ পাপৰ পৰা ।

ৰজা দিমিত্ৰিয়ে বৰ আনন্দেৰে আগতে যতনাই থোৱা ৰূপৰ পাত্ৰকেইটা এইবাৰ টেবুলত সজালে । পাঁচটা পাত্ৰ– কিয় জানো হিচাপ কৰি চালে কৰ্ণেল গ্ৰিঙ্কাই । পাঁচোটা পাত্ৰতেই লাহে লাহে মদ বাকিলে তেওঁ । তাৰ পিছত সকলোৰে ফালে চাই ক'লে– 'ৰজা দিমিত্ৰি মৃত– মৃত্যু হৈছে ৰজা দিমিত্ৰিৰ !

ৰজা দিমিত্ৰি মৃত–মৃত্যু হৈছে ৰজা দিমিত্ৰিৰ ! যুৱৰাজ কাৰ্ল দীৰ্ঘজীৱি হওক ! দুয়োটা বংশৰ অতীতৰ সকলো দ্বন্দ্ব, সকলো মনোমালিন্য এই শুভ মুহূৰ্ত্তত অৱসান হওক । ময়েই আছিলো ৰজা জেৰাল্ডৰ শেষ বংশধৰ ।

কাইলৈৰ পৰা যুৱৰাজ কাৰ্ল হব এই ৰাজ্যৰ ৰজা। ভবিষ্যত ৰজাৰ মঙ্গল কামনা কৰি আহক আমি আটায়ে সুৰাৰ পাত্ৰ লওঁ ........।'

যুৱৰাজ কাৰ্ল আৰু অফিচাৰ সকলে ইজনে সিজনৰ মুখলৈ চোৱা চুই কৰিলে।

কৰ্ণেল গ্ৰিস্কাই ক'লে, 'আমি বৰ বেজাৰ পাইছো যে আপোনাৰ দৰে মহানুভৱ ৰজালৈ আমি আৰু সেৱা আগবঢ়াব নোৱাৰিম।' আটায়ে সুৰাৰ পাত্ৰত মুখ দিলে। এঢোক পান কৰাৰ পিছত সকলোৰে মুখলৈ চালে ৰজা দিমিত্ৰিয়ে। ৰহস্যময় এটি হাঁহি বিৰিঙিল তেওঁৰ ওঁঠযুৰিত।

'এৰা, ময়ো এষাৰ কথা ভাবি মনত বৰ বেজাৰ পাইছো......' ৰজা দিমিত্ৰিক বোৱা দেখি দ্বিতীয় ঢোক পান কৰি আটায়ে কৌতূহলী দৃষ্টিৰে তেওঁলৈ চালে– 'এৰা, ময়ো বৰ বেজাৰ পাইছো'– হেৰোৱা আঁত বিচাৰি ৰজাই পুনৰ আৰম্ভ কৰিলে, 'এই বিহয়া সকলে আগলৈ আন যি কোনো ৰজাকে সেৱা আগবঢ়োৱাৰ পৰা বঞ্চিত হবলগীয়া হ'ল।'

'অৰ্থাৎ ?' কৰ্ণেল গ্ৰিস্কাই সকলো পাহৰি ৰজালৈ চালে। এনেদৰে যে মহামান্য ৰজাক প্ৰশ্ন সোধাটো অসৌজন্যতাৰ চিন সেই কথাও পাহৰি গ'ল তেওঁ।

ভীষণ সন্দেহেৰে আকৌ এবাৰ ৰজা দিমিত্ৰিলৈ চালে তেওঁ। 'এয়া চাওক, আপোনালোকৰ সৈতে একে পানীয়ই ময়ো পান কৰিছো।'

কৰ্ণেল গ্ৰিস্কা এইবাৰ আৰু ৰব নোৱাৰিলে। 'মাননীয় সম্ৰাট, আপুনি এইদৰে কোৱাৰ অৰ্থ কি ? আমি ভবিষ্যতে আন কোনো ৰজাকে সেৱা আগবঢ়াবলৈ নেপাম ? আমি বঞ্চিত হবলগীয়া হ'লো বোলাৰ অৰ্থ কি ?'

ৰজা দিমিত্ৰি এইবাৰ থিয় হ'ল। বক্তৃতা দিয়াৰ ভংগীৰে থিয় হৈ তেওঁ পুনৰ চালে সকলোৰে মুখবোৰলৈ। মই এতিয়াই মৃত্যুৰ শীতল কোলাত শেষ আশ্ৰয় লম। আজি নিশাটোৰ ভিতৰতে মোক হত্যা কৰিবলৈ আপোনালোক আটায়ে বৰ গোপনে আঁচনি কৰিছিল। সেই কথা আগতীয়াকৈ গম পোৱাৰ বাবেহে বেজাৰ মনেৰে মই এইটো আঁচনি লবলগীয়া হ'ল। যাবলগীয়া হলে

আটায়ে লগে ভাগে যোৱাই ভাল, নে কি বোলে ??' শ্লেষ আৰু ঘৃণা মিশ্রিত হাঁহি বিয়পি গ'ল দিমিত্রিৰ দুচকুত।

'আপোনালোকে আজি মোক হত্যা কৰিবলৈ আহিছিল, কিন্তু আৰু কেইমুহূৰ্ত্তমানৰ ভিতৰতে মৃত্যুৱে আঁকোৱালি লব আপোনালোক আটাইকে। মই হত্যা কৰিলো আপোনালোক আটাইকে একেলগে।'

কেপ্টেইন ছুলেজে অধৈৰ্য্য হৈ চিঞৰি উঠিল— 'সুৰা! সুৰা! সুৰাৰ লগতে মিহলোৱা হৈছে মাৰাত্মক বিহ!'

কৰ্ণেল গ্রিস্কাই নিমিষতে খাপৰ পৰা চোকা তৰোৱাল উলিয়াই আগবাঢ়ি আহিল ৰজা দিমিত্রিৰ ফালে।

'তই! তই আমাৰ ইমান ডাঙৰ সৰ্বনাশ কৰিলি! ক'ত সাৰিবি এতিয়া! আজি আৰু সুদাই নেৰো তোক!' ৰজা দিমিত্রিয়ে হাঁহি হাঁহি ক'লে— 'এৰা! মোক হত্যা কৰক কৰ্ণেল গ্রিস্কা। এনেয়েও আৰু কেইটামান মুহূৰ্ত্তৰ ভিতৰতে মোৰ মৃত্যু হবই। আপুনি যদি অলপ কষ্ট স্বীকাৰ কৰি আৰু অকণমান আগতে মোক হত্যা কৰিব পাৰে, মই ভালহে পাম। বাধা তো নিদিওঁয়েই— আন্তৰিক ধন্যবাদ হে জনাম আপোনাক।'

কিন্তু কৰ্ণেল গ্রিস্কাই আৰু এখোজো আগুৱাব নোৱাৰিলে— অচেতন হৈ মজিয়াত ঢলি পৰিল তেওঁ। মেজৰ ভণ্টিফ আৰু কেপ্টেইন ছুলেজো ঢলি পৰিল মজিয়াত। যুৱৰাজ কাৰ্লে চকীত বহি বহিয়ে অচেতন হৈ পৰিল— লাহে লাহে উশাহ নিশাহ লোৱাৰ আৰু কোনো চিন দেখা নগ'ল তেওঁৰ।

ৰজা দিমিত্রিয়ে হাঃ হাঃ হাঃ কৈ বলিয়াৰ নিচিনা হাঁহিবলৈ ধৰিলে। ঠিক সেই মুহূৰ্ত্তত দূৰৈত শুনা গ'ল সামৰিক বাহিনীৰ বেণ্ডৰ শব্দ। লয়াল্যাণ্ডি ৰেজিমেণ্ট উভতি আহিছে। দূৰৈৰ বেণ্ডৰ শব্দ লাহে লাহে ওচৰ পালেহি। বহু আগতেই মজিয়াত বাগৰি পৰিছে ৰজা দিমিত্রি। তথাপিও ক্ষীণ কণ্ঠেৰে কৰ্ণেল গ্রিস্কাৰ মৃতদেহলৈ চাই তেওঁ ক'লে— 'মৃত্যুও যে এনে ধেমেলীয়া হব পাৰে— ইমান মজাৰ হব পাৰে কেতিয়াও ভবা নাছিলো গ্রিস্কা। ভালেই হ'ল দিয়া, সিপুৰীত আটায়ে আকৌ লগ লাগিম, নে কি কোৱা ??'

□□□

# সমাপ্ত

*Digitized by:*

Nibir Borpuzari

for

http://blogasom.blogspot.com

For more free eBooks like this keep on visiting BLOG অসম. Contribute your ebooks or other contents by mailing at-

nibirborpuzari@gmail.com